মন্ত্ৰী মহোদয়ৰ
আত্মকথা

Please handle the book carefully.
THE NABIN BARDOLAI HALL & LIBRARY
22 JUN 1960
GAUHATI

লিখক :—শ্ৰীভুবন নাথ।

মূল্য—পাঁচ সিকি

প্ৰকাশক :—

লিখক নিজে ।

মুদ্ৰণালয় :—

পূৰ্ব্বজ্যোতি প্ৰেছ, গুৱাহাটী ।

প্ৰথম তাঙৰণ :—

১৯৬০ চন ।

লিখকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত

সাহায্য স্বীকাৰ

·· জীৱনৰ শেষ গন্তব্য স্থানলৈ আগবাঢ়োতে জীৱনৰ দুয়োপাৰে যদি' সহায় আৰু সহানুভূতি'ৰ অভ্যাৰ্থনাকীয় ফুলবোৰ ৰূপে-ৰসে-গোন্ধে ফুলি-জুলি পথিকক স্বাগত জনায় — তেন্তে; সেই পথিকে তাৰ সৰ্ব্ব প্ৰকাৰ চেষ্টা সত্বেও যদি কোনোমতে সি তাৰ গন্তব্যস্থান লৈ নেপায়ো—তথাপি সি পায়, মানৱ জীৱনৰ পৰম সম্পদ·· সাধনা তাৰ পূৰ্ণ নহলেও—সাধনাৰ ইতিহাসত সি অমৰ হৈ ৰয়·· মৃত্যুৱে তাক মহামিত্ৰৰ দৰে আঁকোৱালি ধৰি মৃত্যুহীন কৰি ৰাখে !

এই বিশাল বিশ্বত ময়ো এজন চালচিগা পথক্লান্ত পথিক। জীৱনৰ দুৰ্দ্দাম গতিত যেতিয়া ক্লান্ত-শ্ৰান্ত হৈ ভাগৰি পৰোঁ; তেতিয়া মূৰ তুলি চাওঁ···আশে-পাশে থকা নৰ-নাৰায়ন সকললৈ সহায় আৰু সহানুভূতিৰ আশাত।...আশা পূৰ্ণ হয়—অপ্ৰত্যাশিত আৰু অভাৱনীয়ৰূপে...জীৱনে আগ বাঢ়িবলৈ সম্বল পায়··· সাধনাই পায় তাৰ পৰম পাথেয় · পুনৰ আগবাঢ়িবলৈ ইচ্ছা হয়—দুৰন্ত দুৰ্দ্দাম গতিত !

মোৰ এই আগবঢ়াত যিসকল নৰ-নাৰায়নে লোক-চক্ষুৰ অন্তৰালত থাকি নাৰায়ন ৰূপে মোক সহায় কৰিছে·· তেখেত সকলক প্ৰণিপাত জনাইছো বাৰ বাৰ- সহস্ৰবাৰ···অন্তৰৰ সমস্ত প্ৰেম-প্ৰীতি, শ্ৰদ্ধা ভক্তি জীৱনৰ নৈবেদ্য স্বৰূপে তেওঁলোকলৈ আগবঢ়াই দিছো ··আৰু তেওঁলোকৰ পৰা মানৱ জীৱনৰ অমূল্য সম্পদ 'সহায় আৰু সহানুভূতিৰ মনি মুক্তা' কোচাই গোটাই, পঠিত বোকোচা বান্ধি পুনৰ ভৰি দাঙিছো—জীৱনৰ সেই অজানা, অসীম আৰু অনন্ত পথত······ :

"ভুবন"

কৃতজ্ঞতা

···যিজনৰ অসীম ত্যাগ আৰু অক্লান্ত চেষ্টাৰ ফলত, মোৰ কিতাপকেইখনে আৰু লগতে মই—পোহৰৰ মুখ দেখিছো; সেইজন হৈছে মোৰ একমাত্র সহোদৰ ভ্ৰাতৃ শ্ৰীপবন নাথ। সি মোক পোহৰলৈ আগবঢ়াই দি নিজে কিন্তু পৰি ৰ'ল, অন্ধকাৰত···এইখিনিতে তাৰ দেৱত্ব আৰু মহত্ব!······পৃথিবীখনেই এনেকুৱা। অনু-সন্ধান কৰি চালে দেখা যায়—যাৰ গাত পোহৰৰ জ্যোতি দেখো; সেইটো তাৰ নিজস্ব নহয়।···সম্মুখতে জ্বলি থকা লেমটোৰ যি 'জ্যোতি' দেখিছো; আচলতে সেই জ্যোতি বহিদৃশ্যমান লেমটোৰ নহয়—লেমটোৰ গৰ্ভত পৰি থকা অদৃশ্য লেতেৰা তেলখিনিৰহে!

এই চিন্তাৰেই প্ৰতিধ্বনি—ধ্বনিত হৈ ৰ'ল; মন্ত্ৰী মহোদয়ৰ আত্মকথাত।···মন্ত্ৰী মহোদয়ৰ মদ-গৰ্ব্বী কথা প্ৰজা-সাধাৰণে শুনি লাভ নাই···কিন্তু তেওঁৰ 'আত্মা'ৰ কথা 'মানৱাত্মা'ই শুনা উচিত···আৰু এই মানৱাত্মাৰ কথাও পৰমাত্মাই শুনক—এই আশাকে বুকুত বান্ধি মন্ত্ৰী মহোদয়ৰ 'আত্মকথা'—মন্ত্ৰী মহোদয়ৰ 'আত্মাৰ ইচ্ছানুসাৰে'ই লিপিবদ্ধ কৰা হ'ল।

"ভুবন"

THE ... GAUHATI
22 JUN 19..

মন্ত্ৰী মহোদয়ৰ
আত্মকথা

(এক)

উষাৰ সূক্ষ্যটি তিৰ্ বিৰাই চমকি উঠিছে—পূব দিগন্তত। পৃথিবী এঙামুৰি দি জাগি উঠিছে— সূৰ্য্যৰশ্মিৰ পুনঃপৰশত। তেন্তে; পৃথিবী অমৰ—মৰণ নাই এই পৃথিবীৰ! কিন্তু মোৰ? —বিৰক্তহে সুসজ্জিত ড্ৰয়িং ৰুমটোৰ পৰা ওলাই আহি বাৰান্দাৰ আৰাম চকীখনতে হেলান দি বহিছো।

বসন্ত কাল। সন্মুখৰ ফুলনি ডৰাত বহু ধৰণৰ মৌ-মাখি, ভোঁমোৰা আৰু মৌ-লোভী চৰাই কিছুমানে আনন্দত আত্মহাৰা হৈ গীতৰ লহৰী তুলিছে।…পৃথিবীৰ জাগৰণিৰ এই আনন্দোৎসৱত মই আজি অকণো আনন্দিত হ'ব পৰা নাই। কিন্তু কিয়…?

এনেতে আমাৰ ঘৰৰ পুৰণি, বিশ্বাসী লগুৱা, বৃদ্ধ ৰামু আহি মাত দি ক'লে: দেউতা, চাহ ইয়ালৈ আনিম নেকি?

মোৰ খং উঠি আহিছিল—চিন্তাত ব্যাঘাত জন্মোৱা বাবে। কিন্তু খং দমাই ৰাখি শান্ত সংযত কণ্ঠে সুধিলো: ৰামু, আজি ইমান পুৱাতে ভয়ো সাৰ পালি আৰু চাহো সিজোৱা হ'ল—কিন্তু, কেনেকৈ?

: দেউতা ! আজি মা-ই[১] ইমান পুৱাতে উঠিছে যে, তেখেতে চাহ সিজাই শেষ কৰিছে মোক বিছনাৰ পৰা মাতি তুলিছে ···মই হাত মুখ নোধোৱাকৈয়ে আপোনাৰ ওচৰলৈ দৌৰি আহিছো ···আনিম দেউতা চাহ ইয়ালৈ ?

'বাৰু, আনগৈ যা' বুলি ৰামুক বিদায় দিলো। ৰামু গ'ল। কিন্তু আকৌ আহিল,— সেই লানি নিছিগা চিন্তাৰ সোঁত। ভাবিলো; কি কাৰণে আজি ৰত্নাই[২] ইমান পুৱাতে উঠিব লগীয়া হ'ল ? পাপৰ প্ৰায়শ্চিত্তৰ বাবে নে, মোৰ প্ৰতি শ্ৰদ্ধা ভক্তি থকাৰ বাবে ? ৰাতি বিছনাত বাগৰি ৰলোঁ - দহটা, এঘাৰটা, বাৰটা বাজিলেগৈ কিন্তু, তাই নাই ! দীপে[৩] ক'লে, "দেউতা, মা কেশৱ খুড়াদেউৰ সৈতে ফুৰিব গৈছে। লগতে, সোণকো নিছে।"—লগতে সোণকো নিছে ! কিন্তু কিয় ? সোণ মোৰ মৰমলীয়া পুত্ৰ—ছবছৰৰ কেচুৱা ··আৰু কেশৱ—কেশৱ মোৰ পৰিচিত·· ৰত্নাৰ বাল্য বন্ধু, নব-বিবাহিত ধুনীয়া ডেকা। কেশৱ এজন শান্ত শিষ্ট লৰাও,—আদালতত হাকিম গিৰি কৰে—প্ৰথম শ্ৰেণীৰ হাকিম। কিন্তু প্ৰথম শ্ৰেণীৰ বিচাৰক এজনৰ বিচাৰ ধাৰা কিমান দূৰলৈ যাব পাৰে ? চৰকাৰী আইনৰ সীমা পাৰহৈ ঈশ্বৰৰ আইনৰ সীমাত ভৰি দিব পাৰেনে ? পাৰেনে, এনে কোনো হুকুম দিব—যি হুকুমৰ বলত পূবে সূৰুয উঠিছে, ভোঁমো-

১ মোৰ স্ত্ৰীক ৰামুৱে 'মা' বুলি মাতে। ২ 'ৰত্না,' মোৰ স্ত্ৰীৰ নাম।
৩ দীপ,—এঘাৰ বছৰীয়া—মোৰ আদৰিতকৈ ডাঙৰ আৰু একমাত্ৰ ছোৱালী জনীৰ ঘৰত মতা নাম। প্ৰকৃত নাম, দীপালি।

ক'ই ভোঁন্ ভোঁনাইছে, মৌ-মাখিয়ে গুঁন্ গুঁনাইছে, চৰাইবোৰে কিচ কিচাইছে ? কাঠ গড়াত এজন অন্ন-হীন, বস্ত্ৰ-হীন আৰু গৃহ-হীন চোৰক থিয় কৰাই কয়, "তুমি চুৰি কৰিছা—গতিকে, দুবছৰ দণ্ড দিহিলো।"— দুবছৰ দণ্ড দিহা— কোনো আপত্তি নাই— কিন্তু তুমি কাক দণ্ড দিহিছা ? যাৰ সমস্ত কিছু সমাজৰ ধুৰন্ধৰ আইন ৰচক সকলে অন্যায় আৰু অনুচিত ভাৱে কাঢ়ি লৈ গৈ, যাক পথৰ ভিকহু কৰি তুলিছে·· যাৰ মান সন্মান, সুখ-শান্তি সমাজ শাসক সকলে গহিত ভাৱে কাঢ়ি নি,— যিজনক নিজৰ দেশতে গৃহ হীন, আশ্ৰয়-হীন কৰি তুলিছে·· ··· সেই লাঞ্ছনা, বঞ্চনা, শোষণ আৰু পীড়নৰ ওপৰত ভিত্তি কৰি যি সমাজ শাসক সকলে নতুন সমাজ ব্যৱস্থা গঢ়ি তুলিছে···সেই পাপৰ ওপৰত প্ৰতিষ্ঠিত সমাজ ব্যৱস্থাক জীয়াই ৰাখিবলৈ যি আইন ৰচনা কৰা হৈছে, সেই নাৰকীয় আৰু ঘৃণনীয় আইনৰ ধাৰাক আৰু বাহক তুমি, কেশৱ ? যি আইনে মানুহক ভিক্ষাৰীত পৰিণত কৰি—'তুমি কিয় ভিক্ষা কৰিছা' বুলি শাস্তি দিয়ে,··· যি আইনে মানুহক চুৰি কৰিবলৈ বাধ্য কৰি—'তুমি কিয় চুৰি কৰিছা' বুলি দণ্ড বিহে, সেই ঘৃণিত আইনৰ ৰক্ষক তুমি, কেশৱ ? ছিঃ, ছিঃ, কেশৱ ! তুমি নেজানা, তুমি সেই সৰ্ব্বশক্তিমান, মহাকৰুণাময় মহাবিচাৰকৰ বিচাৰত কি যে নিৰ্ব্বোধ, মূৰ্খ আৰু পাপী !—পাপী যদি তুমি নোহোৱাই কেশৱ—তেন্তে; নিজৰ নৱ-বিবাহিতা পত্নীক অনাদৰে পেলাই থৈ আনৰ বিবাহিতা পৰ-পত্নীৰ লগত নিশা বাৰ বজালৈ তুমি ক'ত ঘূৰি ফুৰা ? যদি তুমি নিৰ্ব্বোধ নোহোৱা কেশৱ, তেন্তে···!

: দেউতা চাহ আনিছো !--ৰামুৱে চাহ আনিছে।

: থ--থৈ তই যা ৰামু— মই লাহে ধীৰে খাম।

ৰামুৱে মোৰ মুখৰ ফালে চাই চাই আঁতৰি গ'ল। কিন্তু সি মোৰ মুখত কি দেখিছে?—এই গৰম চাহ কাপৰ পৰা যেনেকৈ ধোঁৱা উৰা দেখিছে, মোৰ মুখৰ পৰাও কি ঠিক তেনেকৈ চিন্তাৰ ধোঁৱা উৰা সি দেখিছে? দেখক, দেখক--ইয়াকতো আৰু সৰহ দিন লুকুৱাই ৰাখিব নোৱাৰি!

——

(দুই)

যোৱা ৰাতি নিদ্ৰাহীন ভাৱে কটাব লগীয়া হোৱাত, এতিয়া দুয়োটা চকুৱে নিদ্ৰাৰ আশাত জাপ খাই খাই আহিছে। দুপৰীয়া ভূৰি ভোজন শেষ কৰি বিছনাত বাগৰি পৰিলো। কিন্তু কি খালোঁ—একো বুজিকে নেপালো! নিদ্ৰা-হীন, অন্ন-হীন ভাৱে যদি জীৱনটো, এনেকৈ তিলে তিলে আগবাঢ়ে তেন্তে; ই আৰু কিমান দুৰ আৰু কিমানখিনিলৈকে যে আগবাঢ়িব—সিয়ো সন্দেহ!

চকু মুদ খাই আহিছিলেই! এনেতে ৰন্তা আহি ভৰি শিতানত বহি তাইৰ কোমল হাতৰ সুকোমল আঙুলি কেইটাৰে মোৰ ভৰি দুখন পিটিকি পিটিকি সুধিলে: নাথ! যোৱা ৰাতি আপুনি বৰ কষ্ট পালে নহয় নে?

চকু মেলি চায়েই দেখিলো, ৰম্ভাৰ মুখ মণ্ডলত গভীৰ দুখৰ ছাঁ। অতি নম্ৰ সুৰত ক'লো : কোনো কষ্টতো ৰাতি পোৱা নাই, ৰম্ভা! তুমি মোৰ বিছনা পৰি-পাটিকৈ সজাই লৰা ছোৱালীক খোৱাই-বোৱাই, ঘৰৰ সমস্ত বস্তু বাহানি সম্ভালি ৰাখিহে ফুৰিবলৈ গৈছা। তাৰোপৰি, ৰাতি সোণে মোক কষ্ট দিব বুলি তাকো তুমি ভাৰ বৈ তোমাৰ সৈতে নিছা · মই কেনেকৈ বাৰু কষ্ট পাব পাৰো, ৰম্ভা! কিন্তু এতিয়া মোক অলপ তুমি শোৱ দিয়া, ভৰি পিটিকিলে যে টোপনি নাহিব!

ৰম্ভাৰ চকু দুটি চকুলো'ৰে উপচি উঠিল! হুক্ হুকাই কান্দি মোৰ ভৰি দুখনত মূৰটো থলে আৰু কান্দোন মিশ্ৰিত ভঙা ভঙা মাতেৰে ক'লে, "নাথ! মই আপোনাক চুলেই আপুনি যেন জ্বলি পকা উঠে। মই সিজাই দিয়া অন্ন আপোনাৰ উদৰস্থ হ'ব নোখোজে। মই ওচৰত শুলেই আপোনাৰ নিদ্ৰাভঙ্গ হয়। —কিন্তু কিয়? · আজি কিছুদিনৰ পৰা মই, আনৰ দ্বাৰাও অন্ন সিজাই 'দ চাইছো, তথাপি খাব নোৱাৰে · ওচৰত নোশোই দূৰৈত শুযো চাইছো, তথাপি নিদ্ৰাহীন ভাবে নিশা কটায়···কিন্তু কিয় কওক?" মই নিৰৱে ৰলো। ৰম্ভাই পুনৰ কৈ যাব ধৰিলে, "কালি গোটেই দিনটো আপোনাৰ মনৰ বিৰক্তি ভাব দেখি, ৰাতি সোণক লগতলৈ কেশৱৰ সৈতে ফুৰাৰ ছলেৰে বাহিৰ ওলাই গলো; যাতে আপোনাৰ মনলৈ কিছু শান্তি আহে!··· কেশৱক লগতলৈ জ্ঞাত-অজ্ঞাত ঠাই বোৰত অনাই বনাই ঘূৰি ফুৰিলো—নিশা বাৰ বজালৈ·· তাক বিদায় দি ঘৰলৈ ওভতি

আহি দেখিলো; আপুনি ড্ৰয়িং ৰুমত—গান্ধীজীৰ ফটোখনলৈ একেথিৰে চাই আছে। মই ঘুমন্ত সোণক বিছনাখনত শোৱাই দি নিজে বহি ৰলোঁ—আপোনাৰ অপেক্ষাত ··এটি দুটিকৈ নিশা তিনিটা বাজিল · আপুনি উঠি নাহিলে···মই বহিয়ে ৰলোঁ · চাবি বজাত আপুনি বাৰান্দালৈ ওলাই আহিল · পুৰতিৰ পক্ষীয়ে জাগৰণিৰ গীত গাই উঠিলে···পূবে অৰুণে ফেহুজালি দিলে···ভগ্ন হৃদয় খন চেপি ধৰি মই আহি ৰান্ধনি ঘৰত সোমালো ·।"

"ৰন্তা!—সেইবোৰ নক'বা ৰন্তা—সেইবোৰ আৰু নক'বা!" মই ৰন্তাৰ কথাত অতিষ্ঠহৈ উঠিছিলো। শোৱাৰ পৰা উঠি ব'হি ৰন্তাৰ হাত দুখনিত চেপি ধৰি হৃদয়ৰ সমস্ত বেদনা লুকুৱাই ৰাখি ক'লো, "বহুত ক'লা ৰন্তা! তুমি বহুতো ক'লা— আৰু নক'বা ···তুমি মোৰ বাবেই বহুত দুখ সহ্য কৰি আছা · মই বহুতো দোষত দোষী! কিন্তু—" ৰন্তাৰ হাত দুখন এৰি দি ক'লো,—"কিন্তু তুমি অলপ আঁতৰি থাকা, ৰন্তা—মই অলপ শান্তিৰে শোওঁ!"

ক্ৰুদ্ধা ফণিনীৰ দৰে জপিয়াই উঠি ৰন্তাই ক'লেঃ তেন্তে মই চুলে বোধকৰো আপোনাৰ শৰীৰ জ্বলে ·মই ওচৰত থাকিলে আপোনাৰ নিদ্ৰা নহয়?

ঃ তুমি থিকেই কৈছা, ৰন্তা! প্ৰথমে ভাবিছিলো; তোমাৰ কোমল হাত দুখনিৰ স্পৰ্শত মোৰ শৰীৰ শীতল পৰি আহিব। কিন্তু এতিয়া বুজিছো, এই কোমলতাৰ ভিতৰত কিমান কঠোৰতা সোমাই থাকিব পাৰে·—এতিয়া জানিছো, শীতলতাৰ ভিতৰতো

ভীষণ উষ্ণতা লুকাই থাকিব পাৰে।—কিন্তু ইয়াৰ বাবে তুমি অকণো দায়ী নোহোৱা, ৰম্ভা!—দায়ী মই আৰু মোৰ পৌৰুষত্ব!

জ্বলন্ত চকুযুৰিলৈ ৰম্ভা মোৰ ওচৰৰ পৰা আঁতৰি গ'ল। মই বিছনাখনত বাগৰি মাথোঁ আকাশ-পাতাল ভাবিব ধৰিলোঁ।

Please handle the book carefully

(তিনি)

যিদিনাখন চফল ধুনীয়া ডেকাটি আছিলো; সিদিনাখন অসংখ্য ছোৱালী ওচৰ চাপি আহি কৈছিল, "তোমাক ভাল পাওঁ, নাথ!" সেই সমস্ত ভালপোৱা আওঁকাণ কৰি, মন প্ৰাণ সঁপি দিলো সমাজৰ কামত। দেশপ্ৰেমত অনুপ্ৰাণিত হৈছিলো—গান্ধীজীৰ আদৰ্শত···শিকিছিলো··· ত্যাগ আৰু কৰ্ম্মই জীৱন। সমগ্ৰ জীৱন সঁপি দিলো কৰ্ম্মত··· সেই কৰ্ম্মক আঁহুতি দিলো—সমাজ সেৱাৰ যজ্ঞত। দুদিন পিচতে হৈ উঠিলো, এজন সমাজ মুৰব্বী। গণভোটৰ সহায়ত এম, এল, এ সাজি ৰাজধানীত উঠিলোগৈ, সপৰিবাৰে। তেতিয়া মোৰ পত্নী আছিল *অনু। অনুক বিয়া কৰোৱা ছমাহো হোৱা নাছিল। কিন্তু এই ছমাহৰ ভিতৰতে অনুৱে মোৰ জীৱনৰ প্ৰতিটো স্তৰতে সোমাই প্ৰাণৰ পৰমাণু হৈ পৰিলে। কিন্তু মোৰ ইমান সুখ ঈশ্বৰে কেনেকৈ সহিব? অনুক আঁতৰাই নিবলৈ বসন্তই

* অনুৰ প্ৰকৃত নাম,—অনুৰাধা।

দেখা দিলে–তাইৰ সমস্ত শৰীৰত · মই কান্দিছো নেকি ?— নাই, নাই! কিয় কান্দিম·· কাৰ শোকত কান্দিম ? অনুৰে এৰি গ'লেও তাইৰ আত্মাইতো মোক এৰি যোৱা নাই। আৰু তাইৰ শোকত মোৰ কান্দিবৰেই বা কি আছে ? তাইৰ জীৱনৰ শেষ সন্ধিয়া. যেতিয়া তাইৰ ওচৰত মই বহিছিলো ; সিদিনাখন তাই তুগালে তুধাৰি চকুলো বোৱাই মোক কৈছিলে, “নাথ! জীবনৰ শেষ বিদায় বেলাত, কথা এটি কৈ পাপৰ পৰা মুক্ত হব খুজিছো ; অনুমতি দিযক।”

অনুমতি দিয়াৰ আগতে অনুৰ কথাত কঁপি উঠিছিলো, এটি নিশ্চিত বিপদ আশঙ্কাত। অনুৰে যে পাপ কৰিছে, সেই কথা সপোনতো ভাবিব নোৱাৰিছিলো।—নাই, নাই! অনুৰে পাপ কৰা নাই···অনুৰ দৰে নিষ্পাপী চোৱালীয়ে পাপ কৰি, পৃথিবীত কেতিয়াও কলঙ্কৰ বোজা বঢাই নুতুলে। ক'লো : কোৱা, সোণ! তুমি কি ক'ব খুজিছা।

তাই মোৰ বাওঁ হাতখন তাইৰ সোঁহাতেৰে খামোচ মাৰি ধৰি সেঁহাই সেঁহাই ক'লে : স্বামী!—আপুনি মোৰ স্বামী— মোৰ ভালপোৱা আপুনি দাবী কৰিব পাৰে—যিহেতু ; আমি তুয়ো বিবাহ পাশত আৱদ্ধ।

: কিন্তু তুমি কি ক'ব খুজিছা, সোণ ?

: বৰ পাপ কথা প্ৰভু—বৰ পাপ কথা!—মই ক'ব খুজিছো, আমি তুযো বিবাহ-পাশত আৱদ্ধ সঁচা, কিন্তু—কিন্তু মই আন এজনৰ সৈতে আকৌ প্ৰেম-পাশত আৱদ্ধ···।

: অনু !

: —আৰদ্ধ প্ৰভু,—বহু দিনৰ পৰা—অবিবাহিতা কালৰ পৰা ··ইয়াৰ বাবে মই দোষী নহওঁ—দোষী মোৰ পিতৃ-মাতৃ, আমাৰ সমাজ আৰু সমাজ মূৰব্বী সকল। কিন্তু তথাপি মই পাপী, স্বামী—স্বামীৰ ন্যায্য প্ৰাপ্য 'স্ব-স্ত্ৰীৰ ভালপোৱা' স্ত্ৰী স্বৰূপে মই আপোনাক একো দি যাব নোৱাৰিলো—মই যে বহু আগতেই সিজনক সকলো দি পেলাইছো·· বহু আগতেই দি পেলাইছো, স্বামী !···যিজন মোৰ প্ৰাণৰো প্ৰিয়—প্ৰিয়ৰো প্ৰিয় সেই···!

অনুৱে আৰু কি বকিছিল মোৰ মনত নাই; বিস্মৃতিৰ গৰ্ভত সকলো বিলীন হৈ গৈছে। মাথোঁ এটি কথা মোৰ মনত ৰৈছে; সিদিনাখন মোৰ মৃত্যু ঘটিছিল—অৱশ্যে, অনুৰো।

(চাৰি)

অনুৱে কিন্তু সাৰ নেপালে—যিহেতু তাই নিষ্পাপী আছিল। মই সাৰ পাই পুনৰ জনম লভিলো—যিহেতু মই পাপী আছিলো। যি নিঃস্বাৰ্থ ত্যাগ আৰু নিৰ্লিপ্ত কৰ্ম্মৰ দ্বাৰা মই দেশ সেৱাত আত্মনিয়োগ কৰিছিলো; সেই মহান ত্যাগ আৰু কৰ্ম্মই মোৰ ক্ষুদ্ৰ স্বাৰ্থৰ ঘৃণিত ৰসত সিক্ত হৈ কদৰ্য্য ৰূপ ধাৰণ কৰিলে।

মই দেশ আৰু সমাজৰ স্বাৰ্থ জলাঞ্জলি দি নিজৰ স্বাৰ্থৰ বাবে বলিয়া হৈ উঠিলো। মনতে ভাবিলো; ঈশ্বৰে মোক সমস্ত কিছু দিয়া সত্বেও কিয় মই নিজকে অসুখী কৰি ৰাখিম ? নিজে ত্যাগ কৰি কৰি সৰ্ব্বস্ব হেৰুৱালো···কিন্তু আনৰ পৰাতো কোনো প্ৰতিদান নাপালো ? উ-হুঁ! আৰু ত্যাগ নকৰো, এতিয়া ভোগ কৰিম।—ভোগৰ বাবেইতো মানুহ পৃথিবীলৈ আহিছে—ভুবা ত্যাগৰ বাবে নহয়। ভাবিলো; আৰু এজনী বিয়া কৰাম থিক— কিন্তু, তাৰ আগতে আৰু এশজনী ভোগ কৰি লওঁ। কিন্তু এই সকলোবোৰ পিচত—আগতে যিকোনো প্ৰকাৰে ছলে-বলে-কৌশলে মন্ত্ৰীত্বৰ গাদী এখনকে দখল কৰো। তাৰ পিচত জুৰি দিম ভোগৰ সঙ্গীত।

মোৰ ওপৰত ৰাইজৰ যি পুৰণি বিশ্বাস আছিল, সেই বিশ্বাসৰ বলতেই মই অতি সহজে এখন মন্ত্ৰীত্বৰ গাদী দখল কৰি বহিলো। লগে লগে মোৰ ওপৰত দেশৰ এটি দায়িত্ব আহি পৰিল। সেই দায়িত্ব বহন কৰিবলৈ দেশবাসীয়ে মোক ক্ষমতাও দিলে। দেশ তথা ৰাইজে ভাবিলে, এইবাৰ তেওঁলোকে এজন প্ৰকৃত দেশ সেৱকক দেশৰ মন্ত্ৰী পাতিছে··· দেশৰ উন্নতি আৰু দেশবাসীৰ উপকাৰ এওঁ কৰিহে এৰিব। কিন্তু দেশবাসীয়ে নেজানিলে মোৰ দৰে পাপী প্ৰৱঞ্চক আৰু কপটী এজনক দেশৰ মন্ত্ৰীত্বৰ গাদীত বহুৱাই তেওঁলোকে দেশৰ কি যে অনিষ্ট নেসাধিলে! কিন্তু তেওঁলোকৰেই বা অপৰাধ কি ? ভাৰতৰ জনসাধাৰণতো চিৰদিন পূত-পবিত্ৰ আৰু সৰল

মনৰ মানুহ। তেওঁলোকে সৰল বিশ্বাসেৰেই মোৰ দৰে সমাজ সেৱক সকলক সমাজৰ ওখ আসনখনলৈ আগবঢ়াই দিয়ে। কিন্তু তেওঁলোকেতো নেজানে যে, ভাৰতৰ শতকৰা পচাঁনব্বৈ জন সমাজ মুৰব্বীয়েই শাসনৰ ছাবি কাঠি পালে, মোৰ দৰে ভণ্ড আৰু প্ৰৱঞ্চক হৈ পৰে! যদি দেশৰ জনতাই এইবোৰ কথা জানিলেহেঁতেন তেন্তে; স্বাধীনতাৰ পিচতো দেশ মাতৃৰ এনে দুখ-লগা অৱস্থা কেতিয়াও নহ'লহেঁতেন!

মই স্থিৰ কৰিলো—যিহেতু মই মন্ত্ৰী হলোৱেই; প্ৰথমে 'দেশ আৰু দেশবাসীৰ সেৱা কৰিম' বুলি কেইটামান লম্বা-চৌৰা বক্তৃতা দি লওঁ। আৰু লগতে এই কথাও মই কওঁ যে, দেশৰ উন্নতি নকৰাকৈ মই নেৰো —আৰু ইয়াৰ বাবে প্ৰয়োজন হলে মোৰ জীৱন পৰ্য্যন্ত মই বিসৰ্জ্জন দিম।—কৰিলোও থিক ইয়াকেই—কিন্তু কামেৰে নহয় মুখেৰে···আৰু মুখেৰে নকৈ কামেৰে যিখিনি কৰিলোঁ, সেইখিনি নিম্নৰূপ :—

(১) মন্ত্ৰীত্বৰ গাদীৰ পৰা পোৱা ক্ষমতা আৰু এই ক্ষমতাৰ সৈতে কিছু কূট বুদ্ধি প্ৰয়োগ কৰি, প্ৰথমে নিজৰ বাবে মাটি সংগ্ৰহ অভিযানত নামিলো। এই মাটি কেতিয়াবা নিজৰ নামত আৰু কেতিয়াবা আত্মীয় কুটুম্বৰ নামত লিখাই লৈ দেশখনৰ বহু ঠাইত বহু মাটি হস্তগত কৰি পেলালো।

(২) ইয়াৰ পিচত আৰম্ভ কৰিলো, টকা সংগ্ৰহ অভিযান! প্ৰথমে কোটিপতি আৰু লক্ষপতি সকলক কিছুমান 'পাৰমিট' দি পাবো মানে ভেঁটী খাব ধৰিলো।

(৩) বিচাৰ বিভাগত পৰোক্ষে হস্তক্ষেপ কৰি দোষীক মুক্তি দি দোষীৰ হাতেৰেই ধন ঘটিব ধৰিলো।

(৪) প্ৰজাৰ কল্যাণৰ অৰ্থে 'প্ৰচলিত আইনবোৰৰ সংশোধন' কৰিম বুলি ন্যাস্ত স্বাৰ্থৰ পুঁজিপতি সকলক ভয় দেখুৱাই সিহঁতৰ পৰাও পাৰো মানে টকা আদায় কৰিব ধৰিলো।

(৫) ক্ষমতাৰ বলেৰেই মোৰ নলে-গলে লগা বন্ধু বান্ধৱ আৰু আত্মীয় স্বজন সকলক (উপযুক্ত, অনুপযুক্ত বিচাৰ নকৰি) সিহঁতক উচ্চ পদ-বিশিষ্ট চাকৰি-বাকৰিত সুঁমুৱাই দিলো।

(৬) মোৰ মান-সন্মান যাতে বাঢ়ি আহে, আৰু মোক সকলোৱে প্ৰশংসা কৰে তাৰ বাবে সভা সমিতি পাতিবলৈ আৰু সেই সভা সমিতিত মোক উচ্চ ভাৱে প্ৰশংসা কৰিবলৈ এটি দালালৰ দল সৃষ্টি কৰিলো।

(৭) দেশৰ বাতৰি কাকত, আলোচনী আদিয়ে যাতে মোৰ প্ৰশংসাতেই পঞ্চমুখ হৈ ৰয়; তাৰ বাবে ছলে-বলে-কৌশলে সিহঁতক হাতৰ মুঠিলৈ আনিলো।

(৮) যি ঠাই খণ্ডৰ অলপ শিক্ষিত মানুহে মোৰ অপকৰ্ম্মৰ কথা বুজি উঠি, মোৰ সুনামৰ সলনি মোৰ দুৰ্নাম ৰটিব ধৰিলে; সেই ঠাই খণ্ডৰ উন্নয়নৰ বাবে সমূলি আওঁকাণ কৰি, সিহঁতৰ পৌৰুষত্বক ধ্বংস কৰিবলৈ, প্ৰত্যক্ষে আৰু পৰোক্ষে মই মোৰ ক্ষমতা প্ৰয়োগ কৰিব ধৰিলো।

(৯) মোৰ ক্ষমতাৰ এই অপ-প্ৰয়োগ দেখি যি কেইজন চৰকাৰী চাকৰিয়াল অতিষ্ঠ হৈ উঠিল আৰু সত্যকথা সমাজত প্ৰকাশ

কৰি দিবলৈ আগবাঢ়ি আহিল; সিহঁতক মই— মোৰ মন্ত্রীত্বৰ ক্ষমতাৰে আগভেঁটি ধৰি বাধা দিলো। যেয়ে মোৰ বাধা নেমানিলে; তাক অন্য ঠাইলৈ বদলি কৰিলো। নতুবা, নিম্ন-স্তৰলৈ নমাই দিলো···আকৌ কেতিয়াবা তাৰ চাকৰিকে খাই থলোঁ। এনেকৈয়ে, বিচাৰ বিভাগৰ উপৰিও শাসন বিভাগতো এটি সন্ত্রাসৰ ধুমুহা বোৱাই ৰাখিলো।

(১০) দলৰ মুৰব্বী মন্ত্রীজনক মুৰব্বীৰ গাদীৰ পৰা নমাই কেনেকৈ নিজে মন্ত্রীসভাৰ দলপতিৰ আসন অধিকাৰ কৰিব পাৰো; তাৰবাবে ষড়যন্ত্র চলাব ধৰিলো। লগতে দুই এজন বামপন্থী নেতাক মন্ত্রীত্বৰ গাদীৰ লোভ দেখুৱাই আদর্শচ্যুত কৰিবলৈ পাৰোমানে চেষ্টা চলালো। লিখক আৰু কবি সকলকো ৰাষ্ট্রীয় পুৰষ্কাৰৰ লোভ-জালত পেলাই লক্ষ্যভ্রষ্ট কৰিবলৈ কৃতকার্য্যতাৰে চেষ্টা চলালো।

পাঠক, বন্ধুসকল! এইবোৰৰ উপৰিও আৰু বহু কিছু অপকর্ম্ম কৰিলো। সেই অপকর্ম্মবোৰৰ শতকৰা দহ ভাগহে ক'লো— নবৈ ভাগ লজ্জ্যাবশতঃ উল্লেখ নকৰিলো। কিন্তু আজি বুজিছো··· আজি বুজিছো বন্ধুসকল— মই কি ভীষণ দোষত দোষী— কি ভয়ানক পাপী, দেশদ্রোহী, জাতিদ্রোহী আৰু সমাজদ্রোহী!

—*—

(পাঁচ)

মন্ত্ৰীত্বৰ গাদী দখল কৰা এবছৰ নৌহওঁতেই দেশৰ জনতাৰ আগত প্ৰচাৰ কৰিলো— দেশৰ বিৰাট উন্নতি। বিদেশৰ পৰা কেইজনমান স্বাৰ্থান্ধ বিদেশী মূৰব্বী মতাই আনি সিহঁতৰ মুখেৰেই প্ৰচাৰ চলালো— নিজৰ দেশৰ উন্নতি সম্বন্ধে। কাৰণ, জনতাই মোৰ দৰে ভণ্ড নেতাবোৰৰ উক্তি আৰু যুক্তি বিশ্বাস নকৰা হৈ আহিছিল। সেয়ে. বিদেশীৰ মুখেৰে জনতাক বুজাব লগীয়া হ'ল যে, চোৱা জনতা! বিদেশী মূৰব্বী সকলে আমাৰ দেশৰ বিৰাট উন্নতি দেখি আমাক কেনেকৈ উচ্চকণ্ঠে প্ৰশংসা কৰিব ধৰিছে। আৰু চোৱা, ভাই সকল! পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ যোগেদি আমাৰ দেশত কেনেকৈ বিৰাট বিৰাট কল কাৰাখানা-বোৰ গঢ়ি উঠিছে··· এইবোৰ জানো দেশৰ উন্নতি নহয়?

হৰি, হৰি প্ৰভু! সিদিনা দেশৰ নিৰীহ ভাই সকলক মই যে কি বিৰাট ফাঁকি নিদিছিলো! সেই দোষৰ – সেই পাপৰ প্ৰায়-শ্চিত্ত কেতিয়াবা হ'বনে? ইংলণ্ডতো আজি দুই শতাব্দী ধৰি বিৰাট বিৰাট কল কাৰখানা গোটেই দেশ জুৰি গঢ়ি উঠিছে! কিন্তু তাৰ ফলত; সেই দেশৰ নিৰীহ জনতাৰ কি লাভ হৈছে? কেনেকৈ লাভ হ'ব— য'ত অকল শোষণ আৰু ব্যক্তিগত মুনাফাৰ কাৰণে এই বিৰাট বিৰাট কল কাৰখানাবোৰ গঢ়ি উঠে? বহুবছৰ ধৰি ভাৰত যান্ত্ৰিক উন্নতিৰ ফালৰ পৰা পিচ পৰি আছিল। দেশ স্বাধীন হোৱাৰ লগে লগে দেশ শাসনৰ

ছাবি কাঠি দেশৰ পুঁজিপতি শ্ৰেণীৰ হাতলৈ আহিল। দেশৰ পুঁজিপতি শ্ৰেণীয়ে ক্ষমতাৰ দণ্ড হাতত লৈ শোষণৰ এটি নতুন আৰু প্ৰশস্ত পথ খুলি দিলে। আগতে দেশৰ কেঁচামাল, দেশৰ বাহিৰলৈ পঠিয়াই পুঁজিপতি সকলে যি লাভ কৰিছিল; এতিয়া দেশৰ সেই কেঁচামাল দেশতে ৰাখি দেশৰ বিৰাট বিৰাট কল কাৰখানাত সেইবোৰ পকামাল তৈয়াৰ কৰি তেওঁলোকৰ মুনাফা দ্বিগুণে বঢ়োৱাৰ পৰিকল্পনা কৰিলে। এই পৰিকল্পনাৰ নাম দিয়া হ'ল,— পঞ্চবাৰ্ষিক পৰিকল্পনা। এই পৰিকল্পনাৰ যোগেদি চৰকাৰে বিৰাট বিৰাট কল কাৰখানা দেশব্যাপী গঢ়ি তুলিবলৈ বিদেশৰ পৰা কোটী কোটী টকাৰ ঋণ ললে। এই বিৰাট পৰিমাণৰ ঋণৰ দ্বাৰা সমগ্ৰ দেশখন অন্য দেশৰ ওচৰত পৰোক্ষে বন্ধক ৰাখি দেশবাসীক বুজাবলৈ চেষ্টা কৰা হ'ল—চোৱা, ভাই সকল! দেশৰ কি বিৰাট উন্নতি হৈছে! যেয়ে, এই ভুঁৱা উন্নতি মনেপ্ৰাণে মানি নললে, তাকে দেশদ্ৰোহী, জাতিদ্ৰোহী আখ্যা দিয়া হ'ল। কিছুমানক ধৰি বান্ধি জেলত ভৰোৱাৰ পৰিকল্পনা কৰা হ'ল। কিছুমানক ভয় দেখুৱাই দমাই ৰাখা হ'ল। আৰু তাৰ পিচত, বিদ্ৰোহীৰ নিশ্চিত বিদ্ৰোহ দমনাৰ্থে, জনতাৰ নৈতিক শক্তি ভাঙি চূৰ্মাৰ কৰিবলৈ সত্য আৰু অহিংসাৰ ভুৱা বাণী দেশব্যাপী প্ৰচাৰ কৰা হ'ল।

এনেকৈয়ে, কৃত্ৰিম সত্য আৰু অহিংসাৰ লৌহ হাতুৰীৰে জনতাৰ দাঁত মুখ ভাঙি, জনতাক ভেৰা ছাগলী সজাই, দেশজুৰি কোৱা হ'লঃ— লুট ভাই, লুট!··· জোৰ যাৰ মুল্লুক তাৰ···লাঠি

যাব ম'হ তাৰ !··· এই লুটপাট্ আৰম্ভ কৰাৰ পিচত আৰম্ভ হ'ল— দান আন্দোলন ! দেখা গ'ল, লুটি নিয়াৰ পিচত অলপ দান দি যোৱাও অন্যায় নহব। কাৰণ, পীড়ক অৰু পীড়িত উভয়ে পৃথিৱীত বাচি ৰবই লাগিব। এই উদ্দেশ্য পূৰণাৰ্থে, দেশ জুৰি কিছুমান নতুন স্বেচ্ছাসেৱক তথা সমাজসেৱক সন্থা গঠন কৰা হ'ল। —সন্থাবোৰক কোৱা হ'ল—"তোমালোকৰ কাম জুই নুমোৱাহে...কিন্তু কোনে জুই লগাইছে, সেই সম্বন্ধে কোৱাৰ অধিকাৰ তোমালোকৰ নাই। তথাপি যদি এই সম্বন্ধে তোমা-লোকে মাত মাতা তেন্তে; তোমালোক 'প্ৰকৃত আৰু নিঃস্বাৰ্থ সমাজ সেৱক সন্থা' নহয় বুলি ঘোষণা কৰা হ'ব। আৰু লগে লগে আৰ্থিক সাহাযাও বন্ধ কৰা হ'ব।" অৰ্থাৎ, উৎপীড়কৰ বিৰুদ্ধে কোনো কথা ক'ব নোৱাৰাকৈ, এই সমাজসেৱক সন্থাবোৰৰ ওঠ-মুখবোৰ 'নিৰৱ সমাজ-সেৱা'ৰ বেজী সূতাৰে ভালকৈ টানি টানি চিলাই কৰি দিয়া হ'ল।

ফলস্বৰূপে; অন্যায়-অবিচাৰ, কুনীতি-দুৰ্নীতি জীৱনৰ স্তৰে স্তৰে সোমাই পৰিল। সাধাৰণ জনতা নিৰাশ আৰু হতাশ হৈ উঠিল। দেশব্যাপী দুৰ্নীতিৰ সোঁত ব'ব ধৰিলে। আৰু এই প্ৰৱল সোঁতত মোৰো জ্ঞান-বুদ্ধি, বিচাৰ-বিবেক সোপাকে উটি ভাঁহি গ'ল। দুৰ্নীতিৰ অথাই সাগৰত মই ঘঁৰিয়ালৰ দৰে ভাঁহি ফুৰিব ধৰিলো। জ্ঞান-বুদ্ধি হেকৱাই, বিচাৰ-বিবেক পুৰি খাই এই দুৰ্নীতিগ্ৰস্ত আৰু দোষ যুক্ত সমাজ ব্যৱস্থাৰ এজন প্ৰধান ধাৰক আৰু ৰক্ষক স্বৰূপে মই থিয় দি উঠিলো। লুট পাটত মই

ভাগ ললোঁ। জনতাই বিশ্বাস কৰি যি শক্তি মোৰ হাতত তুলি দিছিলে; সেই শক্তিৰে জনতাকেই পীড়ন কৰিব ধৰিলো। ভাবিলোঃ যিহেতু মই মন্ত্ৰী হৈছো—জনতাৰ ভাগ্য-নিয়ন্তাও হৈছো—জনতাৰ সুখ-দুখ মোৰ ইচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰে। কিন্তু মোৰ এই অতিশয় অভিমান আৰু অনুচিত দম্ভ সেই সৰ্ব্বশক্তিমান, পৰম পিতা, পৰমেশ্বৰে বাৰু কিয় সহ্য কৰিব? কালৰ কুটিল চক্ৰত পৰি, মই মন্ত্ৰীত্বৰ গাদী হেৰুৱালোঁ। আজি মই বুজিছো—মই কি ক্ষুদ্ৰ জীৱ! ঈশ্বৰৰ অনুগ্ৰহতেই মই মন্ত্ৰীত্বৰ গাদীত উঠিছিলো। কিন্তু গাদীত উঠি মই যি ওলোটা জাপ আৰম্ভ কৰি দিলো, তাৰ ফলতেই; মই পুনৰ 'যথা পূৰ্ব্বং তথা পৰম' হ'লো। প্ৰভুৰ কি নিখুঁত বিচাৰ!

(ছয়)

কিন্তু তথাপি মনত এটি খুঁ-দুৱনি লাগিয়ে ৰ'ল—প্ৰভুৰ বিচাৰ সম্বন্ধে। প্ৰভুৱে মোৰ গাদী নিলে, মই বহন কৰিবলৈ অপাৰগ মোৰ ক্ষমতা ৰাশিও নিলে...কিন্তু কিয় যে অন্যায়ৰ জৰিয়তে আৰ্জ্জন কৰা মোৰ পাৰ্থিব সম্পদ ৰাশি এতিয়াও কাঢ়ি নিয়া নাই—ইয়াৰ কাৰণ মই একো নুবুজিলো। কাৰণ, হয়তো আছে—ইমান সোনকালে এই জঞ্জালবোৰ মোৰ হাতৰ পৰা

কাঢ়ি নি প্ৰভুৱে মোক ইমান সহজতে সেই দুৰ্ঘোৰ পাপৰ পৰা মুক্তি নিদিয়ে। মোৰ শৰীৰ আকৌ কঁপি উঠিছে; এই অন্যায় লব্ধ সম্পদবোৰৰ কথা ভাবি। এই সম্পদবোৰেই হয়তো মোৰ জীৱনৰ শেষক্ষণলৈ পীড়ন কৰিব! এদিনাখন এই সম্পদৰ নিচাত মই পাগল হৈ উঠিছিলো— ছলে-বলে-কৌশলে—অন্যায়, অধৰ্ম্ম অবিচাৰেৰে এই আপদবোৰ কোঁচাই গোটাই লৈছিলো—ভাবিছিলো; জীৱনৰ সুখ এইবোৰেই আনিব! কিন্তু আজি বুজিছো,— আজি বুজিছো যে, তেতিয়া মই কি নিৰ্বোধ আৰু অজ্ঞ আছিলো। কিন্তু এতিয়া বুজি আৰু কি লাভ হ'ব? জীৱনৰ সন্ধিয়া যে ঘনাই আহিছে···শোঁধৰাবৰ আৰু সময় ক'ত? উহুঁ! মই ইয়াক শোঁধৰাবই লাগিব—শোঁধৰাবই লাগিব—নতুবা আত্মাই মোৰ শান্তি নেপাব...জনতাৰ পৰা মই যি সম্পদ লুটি আনিছিলো···সেই সম্পদ পুনৰ জনতাকেই ফিৰাই দিম...নতশিৰে, শ্ৰদ্ধাৰে আৰু ভক্তিৰে---দিম, দিম, নিশ্চয় ফিৰাই দিম!

(সাত)

অশান্তিময় মনটোক শান্তি দিবৰ অভিপ্ৰায়ে, সন্ধিয়া কুৰিথলৈ ওলালোঁ। হাতত ললোঁ আভিজাত্যৰ চিন থকা হাড-টোকোনডাল। চোফাৰে লৰি আহি সুধিলে: দেউতা গাড়ী লম?

 মন্ত্ৰী মহোদয়ৰ আত্মকথা—

'গাড়ী নেলাগে' বুলি কোৱাত চোফাৰজন হতভম্ব হৈ একে ঠাইতে থিয় হৈ ৰ'ল। তাৰ মজ্জাগত বিশ্বাস আছিল, গাড়ী নহলে মই ফুৰিব নোৱাৰোঁ। আজি হঠাতে খালি ভৰিৰে খোজকাঢ়ি মই ফুৰিব ওলোৱা দেখি তাৰ সেই মজ্জাগত বিশ্বাস ভাঙি চুৰ্মাৰ হৈ গ'ল। সেয়ে, সি হতভম্বৰ দৰে থিয় হৈ ৰৈছে। এখোজ দিছো নে নাই, এনেতে ৰন্তা লৰি আহি ক'লে: কলৈ যাব ওলাইছে?

: ফুৰিবলৈ।

: ফুৰিবলৈ!—ইমান লেতেৰা পোছাক, খালি ভৰি, খোজকাঢ়ি, অকলসৰে আৰু অসুখীয়া গাৰে আপুনি ফুৰিবলৈ যাব! কিয়!—কিয় আৰু কলৈ যাব কওঁক, প্ৰভু? মইয়ো যাম, মইয়ো যাম লগতে, প্ৰভু!

মনটো আৰু অশান্তিময় হৈ উঠিল। ৰন্তাই সাৱটি ধৰি ফেঁকুৰি ফেঁকুৰি মোৰ লেতেৰা কামিজটোৰ এটি অংশ তিয়াই দিলে। তাইৰ মূৰত বাওঁহাতখন ৰাখি শান্ত সংযত কণ্ঠে ক'লো: ৰন্তা! তুমি কিয় মিছাতে কান্দি কান্দি জীৱনটো ক্ষয় কৰিব ধৰিছা? মোক এনে অৱস্থাত ফুৰিব ওলোৱা দেখি তোমালোকে কান্দিবৰেই বা কি আছে কোৱা? মৃত্যুৰ সময়ত ইয়াতকৈও বেয়া অৱস্থাত...ৰন্তা! ৰন্তা! কিয় এনেকৈ কান্দিছা? —নেকান্দিবা, নেকান্দিবা ৰন্তা···আৰু এইবোৰ কথা শুনিয়াও বাৰু...আহা, আহা দুয়ো অলপ ফুৰি আহোঁগৈ।

পদূলি পাৰ হৈ লাখুটিডালত ভৰ দি দি কোনোমতে চাৰি

খোজমান গৈছো মাথোঁ ; এনেতে হঠাতে বৈ যাব লগীয়াত পৰিলো। মই বৈ যোৱা দেখি ৰম্ভাই সুধিলে : হঠাতে কিয় ৰল, নাথ ?

হঠাতে কিয় ৰলো ; সেই কথা ৰম্ভাক ক'বলৈ ইচ্ছা নাছিল। কাৰণ, ৰম্ভাই মোৰ মনৰ কথাৰ কোনো ভু-কে নেপাব। কিন্তু তথাপি, তাইৰ কথা এৰাব নোৱাৰি ক'লো : হঠাতে কিয় ৰলো বুজিছা, ৰম্ভা ! সৌ যে বিৰাট দালান ঘৰটি দেখিছা আৰু সেই ঘৰটিত ৰং বিৰঙৰ বিজুলী চাকি, বিজুলী বিচনী আৰু বিজুলী পৰিচালিত ৰেডিওৰ সুললীত সঙ্গীতৰ সুৰধাৰা বৈ থকা শুনিছা আৰু দেখিছা, সেইবোৰেই মোক বৈ যাব বাধ্য কৰিছে !

মোৰ কথাৰ তাই কোনো অৰ্থ নুবুজি নিমাত হৈ ৰোৱা বাবে মই পুনৰ ক'লো : মই বুজিছো, ৰম্ভা ! তুমি মোৰ কথা বুজিব পৰা নাই। সেয়ে, নিমাত হৈছা ! কিন্তু মোৰ কথা তুমি কেনেকৈ বুজিবা, কোৱা ? তুমিতো মোৰ দৰে জীৱনৰ জ্বালাত কেতিয়াও জ্বলা নাই ? চোৱা ৰম্ভা, সেই দালান ঘৰটিৰ গাতে লগা সেইটো খেৰৰ এটি জুপুৰি পঁজা ! ঘৰটিৰ ভঙা বেৰবোৰৰ ফাঁকেৰে চোৱা, তাতো এটি মাটিৰ চাকি টিপ্‌টিপকৈ জ্বলি আছে। আৰু সেই চাকিৰ নিষ্প্ৰভ পোহৰত চোৱা, এগৰাকী মলিন বস্ত্ৰ পৰিহিতা ম্লান-মুখী মহিলা। তেওঁ কোন জানা ? —তেওঁ জনতাৰ জননী—দেশমাতৃ ! দেশৰ জনতাৰ যদি ৰূপ চাব খোজা ; তেওঁক চোৱা। আৰু এই জনতাৰ প্ৰতিনিধি

বুলি দাবী কৰা ভণ্ড ধুৰন্ধৰহঁতৰ যদি ৰূপ চাব খোজা তেন্তে; সেই দালানটোত চোৱা—চোৱা, দুয়োটাৰ কি আকাশ পাতাল পাৰ্থক্য! চোৱা,—দুয়োটাৰ ভাষা, ভোজন আৰু ভেশ সম্পূৰ্ণ বেলেগ বেলেগ। কিন্তু আচৰিত কথা, দুয়োটাই একে দেশৰ একে জাতিৰ আৰু একেটি ধৰ্ম্মৰে মানুহ! ৰস্তা! শুনা ৰস্তা, যদি কেতিয়াবা মই পুনৰ ক্ষমতাৰ আসনত অধিষ্ঠিত হওঁ; তেন্তে তুমি বিশ্বাস কৰিবা, কেইজনমান মুনাফা-লোভী; অৰ্থ গৃধ্ৰ মানুহৰ দ্বাৰা সৃষ্টি হোৱা সমাজৰ এই বিৰাট অসাম্যৰ ঘৃণিত প্ৰাচীৰ মই চূৰ্ মাৰ নকৰাকৈ নেৰিম। যদি ইয়াৰ বাবে তেজৰ সোত বয়, বওঁক—সেই ৰক্তাহুঁতিয়ে মানুহে মানুহক গোলাম কৰি ৰখাৰ আত্মগ্লানি দূৰ কৰিব—সমতাৰ ভিত্তিত সকলোৰে অন্তৰ মন পবিত্ৰ হৈ উঠিব—দেশ শক্তিশালী হ'ব, দেশবাসী ঐশ্বৰ্য্যশালী হ'ব, সমাজত স্বাস্থ্যকৰ বতাহ ব'ব ধৰিব।

ঃ আপুনি আকৌ মন্ত্ৰী হ'ব, খোজে ?

ঃ মন্ত্ৰীত্বৰ বাবে অকণো ইচ্ছা নাই, ৰস্তা! এনেকি, সেই ঘৃণিত আসনক মই ঘৃণা কৰো। তাততো জ্ঞানী মানুহ নেযায়... যায়, মোৰ দৰে অৰ্থলোভী, মান সন্মানলোভী নৰ-পিশাচৰ দল... যদি সেইটোৱেই নহয় তেন্তে; সেই আসনত অধিষ্ঠিত থকা পিশাচহঁতে কিয় দেশৰ কোনো পৰিবৰ্ত্তন সাধিব নোৱাৰে ? —নহয় ৰস্তা! মই ভুল কৈছো—সেই আসনক দোষ দিয়াটো মোৰ ভুল হৈছে—আসনৰ কোনো দোষ নাই। যদি সেই

আসনত কোনো গুণী আৰু জ্ঞানী মানুহক অধিষ্ঠিত কৰোৱা হৈছে; তেওঁৰ পৰা জনতাই বহু আশা কৰিব পাৰে—বহু আশা কৰিব পাৰে ৰম্ভা ! – ৰম্ভা ! মোৰ গাটো বৰ বেয়া লাগি আহিছে ধৰিছে—ওভতো ব'লা, ৰম্ভা…আঁ–হ ! ভৰিৰ আঙুলিত উজুতি খাইছো, ৰম্ভা—আঙুলিটো চোৱা !

ঃ আঙুলিটোযে এৰি গৈছে, তেজ বৈছে প্ৰভু !

ঃ বওঁক, বওঁক ৰম্ভা— যিমানে বয় সিমানে বওঁক…এইবোৰ তেজ মোৰ নহয়—মোৰ দেশবাসীৰ—দেশক শোষণ কৰি অনা তেজ…এই তেজত মোৰ কোনো অধিকাৰ নাই, ৰম্ভা ! আহা, আহা আমি ওভতো !

(আঠ)

ইমান সময় যি ৰম্ভাৰ কথা ক'লো, এই ৰম্ভা আছিল এঘৰ দুখীয়া মানুহৰ ছোৱালী। মোৰ প্ৰথমা স্ত্ৰী অনুৰাধাৰ মৃত্যুৰ পিচত—মন্ত্ৰীত্বৰ গাদী দখল কৰাৰ লগে লগে ৰম্ভাৰ মাক বাপেকক বহু টকা ভেটী দি ৰম্ভাক মোৰ দ্বিতীয়া স্ত্ৰীস্বৰূপে ওচৰলৈ আনিলো। এই বিবাহ বন্ধনত ৰম্ভাৰ কিন্তু অকণো সম্মতি নাছিল। কিন্তু তেতিয়া ক্ষমতাৰ মদ-মত্তত মই আছিলো, অন্ধ ! ভাবিলো, এবাৰ ওচৰলৈ আনিব পাৰিলেই তাইৰ মন থিক হৈ যাব…টকাৰ ওচৰত কাৰণো মনে সেওঁ নেমানে ?

এতিয়া ৰত্না তিনিটা লৰা ছোৱালীৰ মাক। দুটি লৰা, আৰু এজনী ছোৱালী। ছোৱালী—দীপ বা দীপালিৰ কথা আপোনালোকে জানে। মাথোঁ নেজানে, মাজু লৰা—ৰূপ বা ৰূপেশ্বৰৰ কথা। অৱশ্যে জানিও লাভ নাই। কাৰণ, আজি দুবছৰ আগতে সি মোক কন্দুৱাই থৈ সিপুৰীলৈ গৈছে। মোৰ বাল্যকালতে দেউতাই বৈকুণ্ঠলৈ প্ৰয়াণ কৰিছে—আৰু মা-ই মাথোঁ এই সিদিনাখনহে মোক অকলসৰীয়াকৈ এৰি থৈ চিৰ বিদায় লৈছে। এতিয়া মই অকলসৰীয়া—বাই-ভনী, ভাই-ককাই কেওঁ নাই! মই ভুল বকিছো। মই অকলসৰীয়া নহয়—মোৰ অতি মৰমৰ 'সোণ'কণ আছে, অতি চেনেহৰ দীপ আছে, অতি বিশ্বাসী ৰামু আছে, আৰু আছে মোৰ অতি আলাসৰ স্ত্ৰী, ৰত্না!—ৰত্না দেখাত, এতিয়াও গাভৰু ছোৱালী! মাতৃত্বই তাইৰ সৌন্দৰ্য্যক অকণো ম্লান কৰিব পৰা নাই। বৰঞ্চ, মাতৃত্বই তাইৰ সৌন্দৰ্য্য আৰু লাৱণ্য বঢ়াইছেহে! মোৰ আৰু এজন আছে—আৰু এজন আছে—এইজন হৈছে—কেশৱ—কেশৱ, এৰা কেশৱ! কেশৱ হেঁনো মোৰ ভাই হয়······কেশৱক 'খুৰা-দেউ' বুলি মাতিবলৈ ৰত্নাই দীপাক শিকাইছে···ৰত্না মোৰ আপোন···গতিকে, কেশৱো আপোন! তেন্তে; পৃথিৱীত মই কেনেকৈ অকলসৰীয়া হ'লো?—নহয়, নহয়! মই অকলসৰীয়া নহয়—মোৰ বহুতো বন্ধু-বান্ধৱ আছে, বহুতো আত্মীয় কুটুম্ব আছে...এৰা, আৰু বহুতো আছে······!

(ন')

আজি কেইবা দিনো বিচনাত পৰি বৈছো। ডাক্তৰে শৰীৰ চাই কৈছে, "কোনো অসুখ নাই"। সচাঁ কথা, শৰীৰত কোনো অসুখ নাই—অসুখ আছে মনত—মন মোৰ অসুখীয়া। কিন্তু মোৰ মনত এই অসুখ অশান্তিৰ কোনে সৃষ্টি কৰিছে?—সেই বোৰে—সৌ নিকেল কৰা পিতলৰ হাঁকুটাবোৰত ওলমি থকা ৰং বিৰঙৰ 'নেকটাই'বোৰে। নেকটাই! নেকটাই আকৌ কি? ই তো সম্পূৰ্ণ বিদেশী ভাষা! সম্রাজ্যৰ গোলামী গ'লেও, ভাষাৰ গোলামী কিয় এতিয়াও মোৰ মুখৰ পৰা যোৱা নাই? মোৰ মাতৃ ভাষাত কি এনে কোনো শব্দ নাই, যি শব্দই ইয়াৰ অৰ্থ প্ৰকাশত অক্ষম হ'ব?—মই ইয়াক 'নেক টাই' নুবুলো! মই ইয়াক, মোৰ মাতৃ ভাষাত—'ডিঙি-লেংটি' বুলিম। এৰা, কি ধুনীয়া শব্দ, 'ডিঙি-লেংটি!' এ-ই, ৰামু!—ৰামু, চাওঁ তই এইফালে আহ।

: কিয় মাতিছে, দেউতা?

: মাতিছো—সেই ডিঙি-লেংটিবোৰ তই মোৰ ওচৰলৈ লৈ আন ...সৌ ওলমি থকা ডিঙি-লেংটিবোৰ ..আৰু, আৰু তাৰ ওচৰতে ওলমি থকা সেই বিদেশী বান্দৰ টুপীবোৰো আনিবি—সেই বান্দৰ টুপীবোৰ...যা, যা আন—বেগতে আন!......আনিছ—থ, ওচ-

ৰতে থ।—ৰামু! তই জাননে, এই বিদেশী লেংটিবোৰ আৰু টুপীবোৰ প্ৰত্যেক ভাৰতীয়ৰ বাবে কিমান ঘৃণনীয়? এইবোৰে তোৰ দৰে মানুহৰ সৈতে পৰিধানকাৰীক অন্তৰেৰে মিলিব নিদিয়ে …এইবোৰে ভাৰতীয় জনতাৰ সৈতে পৰিধানকাৰীৰ বিচ্ছেদ ঘটায়, জনতাৰ সৈতে ব্যৱধানৰ সৃষ্টি কৰে…এইবোৰ পুৰি পেলা …এতিয়াই পোৰ ··মোৰ আগতে পোৰ…কি চাই আছ? ভয় কৰিছ? ভয় কিয়?—তেন্তে মাত ভোৰ মাৰক—ৰন্তাক মাত …ৰন্তাই পোৰক…যা মাত…বেগতে মাত! উঃ! কি মূৰ্খ এই ভাৰতীয়বোৰ! গোলামীৰ নিচা এতিয়াও ইহঁতৰ যোৱা নাই…কি গভীৰ গৰ্হিত নিচাই ইহঁতক পাইছিল!…ৰন্তা, আহিছা! আহা—আহা ৰন্তা, তোমাক এটি কাম দিওঁ!—তুমি এটি কাম কৰা, তুমি এই ডিঙিত বন্ধা বিদেশী লেংটিবোৰ আৰু মূৰত লোৱা এই বান্দৰ টুপীবোৰ দেখিছানে? এইবোৰ তুমি জুই লগাই পুৰি পেলোৱা·· এতিয়াই পোৰা…মোৰ সন্মুখতে পোৰা!!

ঃ আপুনি এইবোৰ বলিয়াৰ দৰে কি বকিছে?

ঃ মই বলিয়াৰ দৰে বকিছো। মই বলিয়া হৈছো! ৰন্তা, তুমি আকৌ এবাৰ ভাবি চোৱাচোঁ—মই বলিয়া নে, তোমালোকৰ দৰে ভাৰতীয়বোৰ বলিয়া! ভাৰতীয়বোৰক বাৰু এই ডিঙিত বন্ধা বিদেশীৰ লেংটিডাল ডিঙিত মেৰাই মৰিবলৈ কিয় প্ৰয়োজন হ'ল? আৰু এই টুপীবোৰ?—মান-সন্মানৰ বাবে? কিন্তু য'ত ইয়াৰ উৎপত্তি, যেয়ে ইয়াৰ সৃষ্টি কৰ্ত্তা, সেই বিদেশী বগা চাহাববোৰেতো

ইয়াক এই বাবেই ব্যৱহাৰ কৰিছিলে যে, সিহঁতৰ দেশ আছিল—শীতৰ দেশ।—শীতৰ পৰা ৰক্ষা পৰিবলৈ আপাদ-মস্তক সিহঁতে ঢাকিব লগীয়া হৈছিল। আৰু সেয়ে, সিহঁতে ডিঙিত এই লেংটি ডাল আৰু মূৰত টুপীটো সুমুৱাই শীতক বাধা দিছিলে!……মান সন্মানৰ বাবেতো নহয়!—কিন্তু আমাৰ এই গ্ৰীষ্ম প্ৰধান ভাৰতত, গোলাম ভাৰতীয়বোৰে, সিহঁতৰ প্ৰভুক অনুকৰণ কৰি নিৰ্ব্বোধ বান্দৰৰ দৰে সিহঁতৰো ডিঙিত বান্ধি ললে, লেংটি! কোন বলিয়া বাৰু, ৰন্তা?—মই নে, এই নিৰ্ব্বোধ ভাৰতীয় বান্দৰ বোৰ?—তুমিয়ে কোৱা বাৰু, ৰন্তা! যিখন গ্ৰীষ্ম প্ৰধান দেশত, গৰমত মানুহে ছাঁটি ফুটিকৈ মৰে, সেইখন দেশৰ কোনোৱে যদি আপাদ-মস্তক কাপোৰেৰে ঢাকি লয় তেন্তে; তুমি সিজনক 'সুস্থ মস্তিষ্কৰ মানুহ' বুলি ক'ব পাৰিবা নে? এসময়ত ময়ো এই বলিয়ালি কৰিছিলো, ৰন্তা! কিন্তু আজি মোৰ জ্ঞান ফিৰি আহিছে; মই আৰু সেই বলিয়ালি নকৰো। সেয়ে, মোৰ বলিয়ালিৰ সমস্ত চিহ্ন মই এতিয়াই পুৰি ছাঁই কৰিব খোজো। চকুৰ সন্মুখত এইবোৰ থাকিলে মনটি ভীষণ অসুখী আৰু অশান্তিময় হৈ উঠে। তুমি এইবোৰ এতিয়াই পুৰি পেলোৱা ৰন্তা—এতিয়াই পুৰি পেলোৱা!

(দহ)

খাবলৈও ইচ্ছা নেযায়, শোৱলৈও ইচ্ছা নেযায়—বিছনা খনত বহি বহি জীৱনৰ কথাকে ভাবিছো। এনেতে, দীপ লৰি আহি ক'লে, "দেউতা, ৰামুৱে মালীক লগত লৈ ফুলনিৰ বিদেশী ফুলৰ গছবোৰ তেনেই উঘালি পেলাব ধৰিছে। মই বাধা দিয়াত সি ক'লে—বিদেশী ফুলবোৰে হেঁনো দেশীফুলৰ সন্মান নষ্ট কৰে।"

মনটো অলপ ভাল লাগি উঠিল। এদিনাখন ময়েই এই ফুলনি খনৰ দেশীয় ফুলবোৰ উঘালি পেলাই বিদেশী ফুলবোৰ ৰামু আৰু মালীৰ হতুৱাই ৰোৱাই দিছিলো। ৰামুৱে আপত্তি কৰাত তাক ধমক্ দি কৈছিলো,…"তই মূৰ্খ! তই ইয়াৰ মূল্য কি বুজিবি· ·এই ফুলবোৰ ধনী আৰু মানী মানুহৰ ঘৰবোৰতহে থাকে…যাৰ ঘৰত এইবোৰ থাকে, সমাজত সিহঁতৰ সন্মান আৰু প্ৰতিপত্তি খুউব বেছি।" ৰামুৱে সিদিনাখন কোনো উত্তৰ দিয়া নাছিলে। তাৰ জাতীয় চেতনাক মই মোৰ অৰ্থহীন গৰ্ব্বেৰে গচকি ৰাখিছিলো। কিন্তু সি এতিয়া বুজিছে যে মোৰ জ্ঞান লাহে লাহে ফিৰি আহিব ধৰিছে…মই মোৰ পুৰণি ভুলবোৰ ধৰিব পৰা হৈ আহিছো…আৰু এইবাৰেই দেশপ্ৰেমী ৰামুৰ অন্তৰত আনন্দৰ জোৱাৰ উঠিছে·· এই আনন্দতে মতলীয়া হৈ সি নিশ্চয় আজি

এই বিদেশী ফুলবোৰ উঘালিব ধৰিছে। ৰামুৰ প্ৰতি মোৰ যি অৱজ্ঞাৰ ভাৱ আছিল—সি শ্ৰদ্ধাত পৰিণত হ'ল। ওচৰতে থকা লাখুটি ডাল হাতত লৈ তাৰ ওপৰতে কোনোমতে ভৰ দি দি বাৰান্দালৈ ওলাই আহিলো। দীপো আহিল, লগে লগে। ৰামু আৰু মালীক মাত দি সুধিলোঃ তহঁতে সেইবোৰ কি কৰিছ, ৰামু?

ৰামুৱে তাৰ কেশ-হীন মূৰটো খজুঁৱাই খজুঁৱাই ক'লে ঃ দেউতা, এই বিদেশী ফুলবোৰৰ কোনো গোন্ধ নাই। গতিকে, এইবোৰ আঁতৰাই দি, গোন্ধথকা আমাৰ দেশীফুলবোৰ লগাব খুজিছো।

ৰামুক সমৰ্থন কৰি মালীয়ে ক'লেঃ হয়, দেউতা! দেশী ফুলতকৈ বিদেশী ফুল ভাল হ'ব নোৱাৰে।

ঃ তহঁত দুয়ো ঠিকেই কৈছ—আৰু, উচিত কামেই কৰিছ। চা,চোঁন! এই গোন্ধথকা দেশীফুলবোৰ অৱজ্ঞা কৰি আমি মহা মূৰ্খৰ দৰে গোন্ধহীন বিদেশী ফুলবোৰ ইমান যতনকৈ কৰবৰ প্ৰয়োজন কি? আমি 'গুণ থকা'ক দলিয়াই পেলাই 'গুণ নোহোৱা'ক সাৱটি লৈছো। আমাৰ কিয় এনে দশা হৈছে বুজিছ, ৰামু? এই সকলোবোৰ আমাৰ গোলামীৰ ফল! গোলামীৰ শিপা আমাৰ অন্তৰৰ অন্তৰতম প্ৰদেশলৈ শিপাই পৰিছে। এই শিপা আমি উঘালিবই লাগিব,—উঘালিবই লাগিব ৰামু! ইয়াৰ বাবে আমাৰ জাতীয় চেতনা জগাই তুলিব লাগিব। এই জাতীয় চেতনা যদি অতি উগ্ৰ হৈ উঠে তেন্তে; হওঁক উগ্ৰ!

গোলামীৰ নিচাৰে এখন দেশ ধ্বংস হোৱাতকৈ উগ্ৰ জাতীয় চেতনাৰে ইয়াক ৰক্ষা কৰা বিধেয়। যদি কোনোৱে ভাৱে— উগ্ৰ জাতীয়তাবাদৰ ভাৱধাৰাই সাম্যবাদৰ ভাৱধাৰাক ধ্বংস কৰিব তেন্তে; তেওঁ ভুল ভাবিব। এই কথা অতি সত্য যে যদি দেশত উপযুক্ত ৰাষ্ট্ৰ শাসক থাকে তেন্তে; দুয়োটা ভাৱ-ধাৰাই পৰস্পৰৰ ক্ষতিকাৰক নহৈ বৰং পৰস্পৰে পৰস্পৰৰ সহায়কহে হৈ উঠিব। ৰামু—আৰু মালী! তইঁত দুয়ো এই ফালে আহ—এইফালে আহ। চা, সৌ মাটিৰ পাত্ৰত থকা বিদেশী ফুলকেইজুপিও উঘালি পেলা—গোলামী ভাৱধাৰাৰ ই এটি জ্বলন্ত প্ৰমাণ—কৃত্ৰিম ভাৱে ইহঁতক আকাশত ওলোমাই জীয়াই ৰখাৰ কোনো প্ৰয়োজন নাই। আৰু শুন, ঘৰৰ সন্মুখ ভাগত দেশীফুলৰ গছবোৰ সশ্ৰদ্ধ অন্তৰেৰে ৰুই দে— দেশৰ মাটিত দেশীয় ফুলবোৰ জক্‌মকৈ ফুলি জুলি উঠক— শুই উঠিয়ে যাতে এইবোৰ দেখি যিকোনো মানুহৰ অন্তৰতে পবিত্ৰ দেশাত্মবোধ জাগি উঠে। যা, ৰামু—তইঁতক যি কৈছো তাকে কৰগৈ।

(প্ৰথাৰ)

দেশভক্ত দুই শ্ৰেণীৰ আছে। এক শ্ৰেণীৰ দেশভক্তই দেশৰ জুই নুমায়; আন শ্ৰেণীটোৱে আকৌ দেশত জুইহে জ্বলায়! যিটো দলে দেশসেৱাৰ নামত দেশত জুই জ্বলায়, সেই দলৰ ময়ো এজন। আৰু সেয়ে আজি পাপৰ প্ৰায়শ্চিত্ত স্বৰূপে মোৰ অন্তৰতো ভীষণ জুই জ্বলি উঠিছে!

নিশাৰ ভোজন শেষ কৰি বিছনাত বাগৰি আছো; কিন্তু ৰম্ভা নাই! আজি সোণকো লগত নিয়া নাই, দীপৰ সৈতে এৰি গৈছে। যাওঁক, আপত্তিৰ একো নাই! আৰু আপত্তিয়েই বা কাৰ ওচৰত কৰিম? ৰম্ভাৰ ওচৰত? কিয়? মাতৃ জাতিৰ স্বাধীনতাৰ বাবেতো ময়েই এসময়ত বাতৰি কাকতৰ পৃষ্ঠা ভৰাই ভৰাই বক্তৃতা দিছিলো! কৈছিলো,"...যিদিনাখনলৈ ভাৰতৰ অৰ্দ্ধেক জনসংখ্যা—অৰ্থাৎ, ভাৰতীয় ললনা সকলক সামাজিক নীতি-নিয়মৰ দ্বাৰা কোঠাৰ ভিতৰত, পৰ্দ্দাৰ আঁৰত বন্দী কৰি ৰখা হ'ব.. সিদিনাখনলৈ ভাৰতৰ স্বাধীনতাও মূল্যহীন হৈ ৰ'ব—!" —আৰু কৈছিলো। কৈছিলো, "...মহিলাসকল মাথোঁ সন্তান উৎপাদনৰ যন্ত্ৰ নহয়...সিহঁতো মানুহ...আৰু মানুহ স্বৰূপে পুৰুষৰ যি অধিকাৰ আছে—মহিলাৰো সেই অধিকাৰ সমানে আছে...।" তেন্তে ৰম্ভা আজি অকলসৰে কেশৱৰ সৈতে ফুৰিব

যোৱাত মোৰ কি আপত্তি থাকিব পাৰে ?—নহয়, আপত্তি আছে …ভীষণ আপত্তি আছে। কাৰণ, ৰম্ভা মোৰ স্ত্ৰী…স্ত্ৰীৰ ওপৰত স্বামীৰ দাবী আছে…সেই দাবী মই কিয় পৰিত্যাগ কৰিম ? যদি ৰম্ভাই ইচ্ছা কৰে আনৰ সৈতে সংসাৰ কৰিবলৈ তেন্তে ; তাই কিয়……নাই নাই ! তাইক মই এইবোৰ কথা নকওঁ… তাই আঘাত পাব…তাইৰ ফুলৰ দৰে সুকোমল অন্তৰ ভাঙি ছিগি তেনেই চূৰমাৰ হ'ব…তাই নিৰপৰাধী…তাইৰ অপৰাধ নাই।—দীপ ! অ' দীপ—তহঁত ছুয়ো শুলি নেকি, মা—শোঁ, শোঁ বাচাহঁত !—তহঁতৰ ওচৰত তহঁতৰ মাৰ নেথাকিলেও মইতো আছো…!

(বাৰ)

ৰাতি পুৱা—বিছনাৰ পৰা কোনোমতে উঠি আহি বাৰান্দাৰ আৰাম চকী খনত বহিলো। অলপ পিচতে দীপাই চাহ আৰু নাস্তা আনি সম্মুখতে থলে। ইমান দিনে দীপাক মই ভালকৈ লক্ষ্য কৰা নাছিলো। কিবা-কিবিবোৰ ভাবি চিন্তি থাকোতেই সময় বোৰ পাৰ হৈ যায়। আজি তাইৰ আপাদ-মস্তক ভালকৈ নিৰীক্ষণ কৰিলো। দেখিলো; তাই ইতিমধ্যে ভালেখিনি ডাঙৰ দীঘল হৈ উঠিছে। তাইৰ ৰূপ লাৱণ্য দেখি মনটোৱে যিমানখিনি

আনন্দ পালে; থিক সিমানখিনি ব্যথাও পালে। যেচেৰীৰ এই বয়সলৈ মোৰ পৰা কোনো মৰম নেই নেপালে। মই পাগল হৈ থাকো মোৰ কথা লৈয়ে—ইহঁতৰ বাবে ভাবিবৰ অকণো আজৰিকে নেপাওঁ। চাহ থৈ দীপা আঁতৰিব খোজোতেই স্নেহ-সনা মাতেৰে ক'লো : দীপ! তইঁতে বাৰু মোৰ ওচৰত ক্ষন্তেক বহিবও আমনি পোৱা নেকি?

মোৰ কথাত দীপাই যেন আঘাত পালে। তাই ওভতি মোৰ ওচৰলৈ আহি ক'লেঃ আমি আমনি কিয় পাম, দেউতা। আমি ভাবো; আমি ওচৰত থাকিলে আপুনিহে আমনি পায়··· সেয়ে আমি দূৰে দূৰে ৰওঁ।

: তইঁত দূৰে দূৰে ৰ'লে জানো. মোৰ মনত শান্তি আছে ক, দীপ? তইঁতক লৈয়েই তো মোৰ জীৱন!—আহ, বহ ইয়াতে। এতিয়া কচোঁন দীপ, তই এইবাৰ কোন শ্ৰেণীত?

: নাইনত, দেউতা!

: নাইনত!—বেচ্, খুউব ভাল পঢ়িছি, তই! কিন্তু অকলে অকলে স্কুললৈ যাব তোৰ বোধকৰো বৰ বেয়া লাগে নহয়, আই?

: বেয়া নেলাগে, দেউতা! মোৰ এজন কলেজীয়া বন্ধু আছে; আমি দুয়ো একেলগে যাওঁ।

: কলেজীয়া বন্ধু! বোধকৰো, তোৰ বয়সৰে ছোৱালী?

: ছোৱালী নহয়, দেউতা—লৰা।

'লৰা'!—এটি কি যেন অজানিত আশঙ্কাত মনটি এবাৰ কঁপি উঠিল। মনলৈ পুনৰ অশান্তিৰ সোঁত ব'ব ধৰিলে। মুহূৰ্ত্তৰে

পুনৰ ক'লো : মা, দীপ! তই দেখিছ নহয়, তোৰ মা-ৰ কি অৱস্থাত থাকে? তোৰ মা-ৰে কান্দি কান্দিয়েই জীৱনটো শেষ কৰিলে। কিন্তু মোৰ ইচ্ছা···মোৰ কি ইচ্ছা জান, আই? —মোৰ ইচ্ছা, তোৰ জীৱনটো হাঁহি হাঁহিয়েই শেষ হওঁক··· পাৰিবি আই···পাৰিবি তোৰ জীৱনটো তই হাঁহি হাঁহিয়েই কটাব? আকৌ কান্দিছ কিয়? তয়ো আকৌ মা-ৰৰ দৰেই হ'লি নেকি? উস্, প্ৰভু! কি যন্ত্ৰণাই যে তুমি মোক নিদিছা! যা, আই! তই উঠ—যা, ইয়াৰ পৰা!

দীপাই উচুপি উচুপি আঁতৰি গ'ল। কিন্তু মোৰ শঙ্কা হ'ল—তাইৰ চৰিত্ৰৰ ওপৰত কাৰ প্ৰভাৱ পৰিব···মোৰ নে, মাকৰ?

(তেৰ)

দুপৰীয়াৰ আহাৰ শেষ কৰি পুনৰ বিছনাখনত গৈ উঠিলো। বিছনাখনেই হৈছে, মোৰ একমাত্ৰ আশ্ৰয়স্থান। ইয়াৰ ওপৰতেই বহি কেতিয়াবা কান্দো, কেতিয়াবা হাঁহো। দিনটোৰ ওঠৰ ঘণ্টা বিছনাৰ ওপৰত আৰু বাকী ছঘণ্টাহে বিছনাখনৰ পৰা আঁতৰত ৰওঁ।

অলপ পিচতে ৰত্না আহি মূৰ শিতানত বহিল। তাইৰ লাৱনী হাতৰ ধুনীয়া আঙুলি কেইটাৰে মোৰ মূৰৰ বিশৃঙ্খল চুলিবোৰৰ

মাজে মাজে আঙুলি বুলাই দিব ধৰিলে। মই নিৰৱে ৰ'লো। ভায়ো ৰ'ল। কেইমুহূৰ্ত্তমান পিচতে ৰন্তাই মোৰ মূৰৰ পৰা পকা চুলিবোৰ এডাল এডালকৈ উঘালিব ধৰিলে। নীৰৱতা ভঙ্গ কৰি মই সুধিলো : ৰম্ভা! পকা চুলি উঘালিছা?

ৰম্ভাই দিওঁ-নিদিওঁকৈ উত্তৰ দিলে : গোটেই মূৰটোৱেই যে বগা হৈ উঠিছে!

: তোমাৰ মনৰ কথা বুজিছো, ৰম্ভা!—তুমি বিচাৰিছা এটা কেঁচা চুলিৰ ক'লা মূৰ। কিন্তু মোৰ পকা চুলিবোৰ উঘালি পেলালেইতো মূৰটো ক'লা হৈ নুঠে—যৌৱনোতো পুনৰ ওভতি নাহে, ৰম্ভা!

: মইতো আপোনাক ডেকা হ'ব কোৱা, নাই।

: তুমি মুখেৰে মোক ডেকা হ'ব কোৱা নাই, সঁচা! কিন্তু তোমাৰ কৰ্ম্মই মোক তাকেই কৈছে···আৰু ময়ো বুজো ··এজনী গাভৰুৰ প্ৰয়োজনীয়খিনি পূৰ কৰিবলৈ হলে, এজন ডেকা ল'ৰাৰ অতি আৱশ্যক। য'ত এই আৱশ্যকৰ অভাৱ ঘটিছে, তাতেই অন্যায়ে দেখা দিছে। ৰম্ভা, স্বাধীন ভাৰতৰ স্বাধীন ভাৰতীয় নাগৰিক স্বৰূপে তোমাৰ ইচ্ছানুযায়ী চলিবলৈ ভাৰতীয় সংবিধানে তোমাক অধিকাৰ দিছে।...আৰু এটি কথা, ৰম্ভা!—তুমি জানো এই পবিত্ৰ ভাৰত-ভূমিৰেই সুপবিত্ৰ ভাৰতীয় ললনা নহয়? তুমি জানো সীতা, সাবিত্ৰী আৰু আমাৰ মহাসতী জয়মতীয়ে জন্ম লাভ কৰা দেশখনৰ মাটিত ওপজা নাই? যদি তুমি এই মহান ভাৰতৰ মহানাৰী—তেন্তে নাৰী

স্বৰূপে তোমাৰোতো এটি কৰ্ত্তব্য আৰু দায়িত্ব আছে, ৰন্তা ?

: আপোনাৰ কথাবোৰ মই অকণো বুজিব নোৱাৰো, নাথ ! মনে হয়, কাৰোবাক কোনো বস্তু দিবলৈ আপোনাৰ এখন হাত যেনেকৈ সততে সাজু হৈ থাকে ; তেনেকৈ সেই দানকৃত বস্তুটি কাঢ়ি আনিবলৈও আপোনাৰ আনখন হাত প্ৰতি মূহুৰ্ত্তে প্ৰস্তুত হৈ থাকে। আপুনি এটা যুক্তিকেই দিয়াত যেনেকৈ প্ৰয়োগ কৰে, কাঢ়ি নিয়াতো তাকেই কৰে ! মনত আছে নে নাথ, এসময়ত আহাৰ নিদ্ৰা পৰিহাৰ কৰি দেশৰ ইমূৰৰ পৰা সিমূৰলৈ স্ত্ৰী-স্বাধানতাৰ দাবী লৈ নিজেই ঘূৰি ফুৰিছিলে ? মন্ত্ৰীত্বৰ গাদীৰ পৰা দেশৰ নেতা স্বৰূপে এই স্ত্ৰী-স্বাধীনতা সম্বন্ধে দেশবাসীকতো অপুনি বহু ধৰণৰ বহুতো মূল্যবান উপদেশ দিছিলে ! কিন্তু আজি আপোনাৰ সেইবোৰ কথা আপুনি কিয় নিজেই পাহৰি গৈছে ?

: সেই কথা মই পাহৰি যোৱা নাই, ৰন্তা ! সেই সকলোবোৰ কথাই মোৰ ভালকৈ মনত আছে...আৰু মনত আছে বুলিয়েইতো আজি নিজে জ্বলোৱা জুইত নিজে জ্বলিব ধৰিছো, ৰন্তা ! তুমি এটি কথা নেজানা, ৰন্তা ! তুমি কৈছা, তেতিয়া মই 'দেশৰ নেতা' আছিলো...ভুল কথা ৰন্তা...ভীষণ ভুল...ভয়ানক্ ভুল··· তেতিয় মই 'দেশৰ নেতা' নাছিলো আছিলো 'দেশৰ কলঙ্ক !' দেশসেৱাৰ নামত মন্ত্ৰীত্বৰ গাদীত আৰোহণ কৰি মই দেশবাসীক শোষণ কৰিছিলো,—পীড়ন কৰিছিলো...আৰু আন আন শোষক পীড়ককো সেই ঘৃণনীয় শোষণ আৰু পীড়নৰ

সুবিধা কৰি দিছিলো। অৰ্থাৎ, তেতিয়া মই ভণ্ড আছিলো—ভীষণ ভণ্ড—ভয়ানক ভণ্ড ! ৰস্তা— ৰস্তা, এটি কথা মনত ৰাখিবা, ৰস্তা !—মনত ৰাখিবা, যেতিয়া কোনো ভণ্ডই তাৰ কলঙ্কিত মুখেৰে কোনো মূল্যবান কথা প্ৰকাশ কৰে তেতিয়া; সেই মূল্যবান কথাও সেই মুহূৰ্ত্তে মূল্যহীন হৈ পৰে—তাৰ কলঙ্কিত কণ্ঠস্পৰ্শত !

ৰস্তা মোৰ ওচৰৰ পৰা উচুপি উচুপি আঁতৰি গ'ল। মোৰ মনটো পুনৰ অশান্তিময় হৈ উঠিল। বুজিলো—ৰস্তাই মোৰ নীচ স্বাৰ্থৰ কথা নিশ্চয় বুজি পাইছে !

(চৈধ্য)

এক ৰৌদ্ৰ-কিৰণোজ্জ্বল সুপ্ৰভাতত মোৰ মুখ নিঃসৃত থুই ৰাশিত জিলিকি উঠিল—কেঁচা তেজ ! ডাক্তৰে পৰীক্ষা কৰি ক'লে, 'ক্ষয়ৰোগ !' এৰা, ক্ষয়ৰোগ ! মোৰতো ক্ষয়েই হৈ আহিছে ! মৃত্যুই যেন দূত পঠিয়াই আগ বতৰা দিছে—'তোমাক নিব আহিছো।' মইতো সাজু হৈয়েই আছো···'মৃত্যু' মোৰ বাবে যে কি আনন্দৰ বস্তু···সেইকথা জীয়াতু যাতনা ভোগা মোতকৈ আৰু কোনে ভালকৈ বুজিব ? আজি কেইদিনমানৰ পৰা বুকুখন বিষায় ! কি যেন কিছুমানে বুকুৰ ভিতৰত সোমাই বুকুখন খুলি

খুলি মাথোঁ খাব ধৰিছে।—খাওঁক, ইতো আন একো নহয়··· মৃত্যু নিজে আহি তাত লুকাই ৰৈছে···মোৰ মৃত্যুৰ বাবে···নহয়, নহয়—মোৰ মুক্তিৰ বাবে!

(পোষ্কাৰ)

তিনিজন বিখ্যাত ডাক্তৰে মোক চিকিৎসা কৰিছে। বহুতো বন্ধু-বান্ধৱ আহি অভয়বাণী দিছে। ৰন্ধা গাৰ ছাঁৰ দৰে গাতে লাগিয়েই আছে। দীপাই ওচৰলৈ আহি ফেঁকুৰি ফেঁকুৰি পুনৰ আঁতৰি যায়। 'সোণ'টিক ওচৰ চপাই লৈ কেতিয়াবা হেঁপাহ পলুৱাই চুমা খাওঁ। ৰামুৱে কোঠাটি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাতেই ব্যস্ত হৈ থাকে। মালীয়ে সুগন্ধি দেশীয় ফুলৰ থোপাবোৰ আনি ওচৰতে সজাই থয়। কেশৱে ঔষধ-পত্ৰ গোটোৱাতে অহৰ্নিশ ব্যস্ত হৈ থাকে।······কিন্তু এই আটাইবোৰৰ মৰম; স্নেহ, শ্ৰদ্ধা, ভক্তি, শুশ্ৰূষা, সেৱা, সান্ত্বনাবাণী আৰু অভয়-বাণীয়ে মোক জানো ৰক্ষা কৰিব পাৰিব? যাৰ অনুগ্ৰহত পৃথিবীলৈ আহিছিলো; তেওঁৰ যদি আদেশ আহে যে, "হেৰা, ক্ষুদ্ৰ জীৱ—তুমি পৃথিবীৰ পৰা আঁতৰি আহা; তোমাৰ সময় শেষ হৈ গৈছে"...তেন্তে কাৰ সাধ্য—কাৰ সাধ্য মোক আৰু সৰহ সময় এই পৃথিবীত ধৰি ৰাখে? গতিকে, এই স্নেহ-শ্ৰদ্ধা, শুশ্ৰূষা চিকিৎসাত মোৰ অকণো আস্থা নাই। মাথোঁ, মোৰ হৃদয়ৰ একমাত্ৰ কামনা—শান্তিপূৰ্ণ মুক্তি!

(ষোল্ল)

মই ভালকৈ বুজিলো, যেতিয়ালৈকে এই জাক্‌জমকতাপূর্ণ বিৰাট ঘৰটিৰ ভিতৰত মই সোমাই থাকিম তেতিয়ালৈ; মোৰ মনলৈ শান্তি নাহে। স্থিৰ কৰিলো ; আভিজাত্যৰ চিহ্নেৰে গৰ্ব্বিত মোৰ কোঠাটিৰ পৰা ৰামুৰে শান্তিৰে বাস কৰা তাৰ জুপুৰীটোলৈ যাওঁ।

ৰামু আৰু ৰন্তাক মাতি মোৰ মনৰ কথা ক'লো। সিহঁতে মোৰ কথা শুনি কান্দিব ধৰিলে। ঘৰৰ আটাইবোৰ আহি মোক বাধা দি ক'লে, তাত হেঁনো মই বৰ কষ্ট পাম···যুক্তি দেখুৱাই ক'লে, ঘৰটো হেঁনো বৰ সৰু আৰু কেঁচা মাটিৰ!— পৃথিবীৰ আটাইতকৈ মূৰ্খৰ দলটোযে মোৰ লগতেই আছে, সেই কথা মই আজিহে বুজিলো। ইহঁত ইমান মূৰ্খ বুলি মই আগতে কেতিয়াও ভবা নাছিলো। এই মূৰ্খহঁতে নেজানে যে 'সুখ শান্তি' বোলা বস্তুটি দালান ঘৰৰ ভিতৰত বিচাৰিলে পোৱা নাযায়। সুখ-শান্তি যে মানুহৰ মনৰ ভিতৰতে থাকে—সেই কথা ইহঁতে নেজানে। মই কাৰো কথা, কাৰো বাধা নেমানিলো। সেই মুহূৰ্ত্তে ৰামুৰ কোঠাটিত মোৰ বাবে এখন বিছনা সজাই দিব ক'লো। সাধাৰণ ভঙা-ছিগা খাট এখনৰ ওপৰতে বিছনাখন সজাব ক'লো। বিছনাখন যাতে একেবাৰে অনাড়ম্বৰ ভাৱে

Please handle the book carefully

সাধাৰণ কমদামী কাপোৰেৰে সজোৱা হয়; সেই বিষয়েও শিকাই বুজাই ক'লো। আৰু ক'লো, কোঠাটিলৈ যাতে দামী চকী মেজ এখনো নিয়া নহয়।

মোৰ ইচ্ছানুসাৰেই সিহঁতে কাম কৰিলে। মই ৰামুৰ অতি সাধাৰণ কোঠাটিলৈ আহিলো। কোঠাটিৰ এটি চুকত ৰামুৰ বিছনাখন। মোৰ বিছনাখনৰ ওচৰতে এখন সৰু সাধাৰণ মেজ। মেজখনৰ ওপৰত কেৰাচিন তেলেৰে জ্বলোৱা এটি পুৰণি লেম। লেমটোৰ ওচৰতে মোৰ ঔষধ-পাতিবোৰ, আৰু দুই এখন ধৰ্ম্ম গ্রন্থ। এখন সাধাৰণ পুৰণি চকীও কোঠাটিত ৰাখিছো, ডাক্তৰ বহিবলৈ। ৰাতি শোৱৰ সময়ত অকল ৰামুৰ বাহিৰে কোঠাটিত যাতে আন কোনো মানুহ নেথাকে, তাৰ বাবে সকলোকে বুজাই বঢ়াই কৈছো। সকলোৱে মোৰ কথা আখৰে আখৰে পালন কৰিছে। কিন্তু ৰন্তাই ৰাতি দুই তিনিবাৰকৈ তাইৰ বিছনাৰ পৰা উঠি আহি মোৰ বিছনাৰ ওচৰত বহি কান্দি থাকে। তাই মোৰ কথা পালন কৰা নাই—ময়ো তাইক মনাব পৰা নাই। তথাপি মনলৈ বহুখিনি শান্তি ঘূৰি আহিছে।

কোঠাটিত এতিয়া ৰামু আৰু মই। ৰামুৱে প্রতিদিনে পুৱা—সন্ধিয়া কোঠাটিত ধূপ-ধুনা জ্বলাই, গীতা বা উপনিষদৰ পৰা দুফাঁকি শ্লোক উদ্ধৃত কৰি ঈশ্বৰ সেৱা কৰে। কেতিয়াবা মোৰ অনুৰোধক্রমে সি বহু ৰাতিলৈ শাস্ত্র পঢ়ি থাকে। সি একান্তমনে পঢ়ে আৰু মই একাগ্রচিত্তে শুনো। আজি নিম্নলিখিত শ্লোক ফাঁকিৰে—সি তাৰ ঈশ্বৰ সেৱাৰ সামৰণি মাৰিছে,

ওম্ অসতো মা সদগময়,

তমসো মা জ্যোতির্গময়;

মৃত্যোর্মা অমৃতং গময়.

ওম্ শান্তিঃ শান্তিঃ শান্তিঃ !

এটি শান্ত, সুস্থ আৰু পবিত্ৰ পৰিবেশে আমাৰ কোঠাটি সাৰটি ললে।

(সোঁতৰ)

কিন্তু ঈশ্বৰে যাক 'তিল পৰিমাণো শান্তি নিদিওঁ' বুলি স্থিৰ কৰিছে, তাৰ জীৱনলৈ বাৰু কেনেকৈ শান্তি আহে ? আজি পুৱাতে ৰত্নাই কৈ গ'ল, কেশৱৰ নৱ-বিবাহিতা স্ত্ৰীয়ে হেঁনো কেশৱৰ সৈতে বিবাহ বিচ্ছেদৰ বাবে আদালতত প্ৰাৰ্থনা জনাইছে ; আৰু এই কাম কেশৱৰ অনুমতি ক্ৰমেই কৰিছে ! —ইয়াৰ অৰ্থ ? ইয়াৰ অৰ্থ এয়েই নেকি , কেশৱে তাৰ বিবাহিতা ভাৰ্য্যাক ত্যাগ কৰি পুনৰ্বিবাহ কৰিব ? কিন্তু তাৰ এই পুনৰ বিবাহ কাৰ সৈতে হ'ব ? অসম্ভৱ ! অসম্ভৱ—এইবোৰ কথা ভাবিব নোৱাৰি ! কি যেন জুই একুৰা দিনে দিনে বেছিকৈ জ্বলিহে উঠিছে। আজি কিছুদিনৰ পৰা দেখিছো, ৰত্নাৰ চকু-মুখ ক্ৰমে নিস্তেজ হৈ আহিছে···তাই গৰ্ভৱতী হৈছে···এৰা, গৰ্ভৱতী ! কিন্তু কাৰ সন্তান তাই···কাৰ সন্তান···মোৰ ! মোৰ সন্তান···অসম্ভৱ ! অসম্ভৱ, একেবাৰে অসম্ভৱ !

(ওঠৰ)

মনটো স্থিৰ কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছো। মহাপুৰুষ সকলৰ বাণীবোৰ যাতে কাণ দুখনত বাজি ৰয়, তাৰ বাবেও চেষ্টা চলাইছো। কোনে যেন কাণৰ কাষত ক'ব ধৰিছে··· You are walking in deep night : well, gather there the priceless treasures of the darkness.

আকৌ শুনিছো, যথা কাষ্ঠং চ কাষ্ঠং চ সমেয়াতাং মহার্ণবে।

সমেত্য চ ব্যপেয়াতাং কালম আসাদ্যকঞ্চন॥

এবম ভার্য্যাঃ চ পুত্রাঃ চ জ্ঞাতয়ঃ চ ধনানিচ।

সমেত্য ব্যৱধাৱন্তি ধ্রুবঃ হি এষাং বিনাভব॥

এৰা ; সত্য কথা—অতি সত্য। এই আটাইবোৰেই সত্য কথা। মই ভীষণ অন্ধকাৰৰ মাজেৰে খোজ কাঢ়িব ধৰিছো ·· ·· এই অন্ধকাৰতেই মই মানুহৰ অমূল্য সম্পদ 'জ্ঞান' লাভ কৰিব লাগিব। এৰা, জ্ঞান লাভ! মই বুজিবই লাগিব যে, এই পৃথিবীলৈ মই এজন আচহুৱা পৰ্য্যটক হিচাপেহে আহিছো। আৰু এই ৰত্না, দীপ, সোণ, ৰামু, কেশৱ ইহঁতো এই পৃথিবীলৈ আচহুৱা পৰ্য্যটক হিচাপেই আহিছে···মহা সমুদ্ৰত কেইটুকুৰামান কাঠ কেইবা ঠাইৰ পৰা ভাঁহি আহি, এঠাইত কিছু সময়ৰ বাবে একেলগ হোৱাৰ দৰে : আমিও এই সংসাৰ সাগৰত

ভাঁহি আহি ইয়াতে কিছু সময়ৰ ক'বে একলগ হৈছোহি !— আমিও পুনৰ উটি ভাঁহি যাম…কালৰ কোৱাল সোঁতে আমাৰ প্ৰত্যেককে যেনিয়ে তেনিয়ে উটাই ভহঁাই নি পুনৰ বিচ্ছেদ ঘটাব‥ পুনৰ বিচ্ছেদ ঘটিবই ৰত্না ! ৰত্না—তোৰ ইচ্ছানুযায়ী তই কাম কৰ…তোক মই বাধা নিদিওঁ…আজি নহয় কাইলৈ… কালি নহয় পৰহি—তোৰ মোৰ বিচ্ছেদ হবই…বিচ্ছেদ হবই… দুদিন মাথোঁ আগ পিচ, এয়ে নহয় ?—হওঁক, মই এই বিচ্ছেদ জীয়াই থাকিও সহিব পাৰিম মই তোৰ মনত অকণো আঘাত নিদিওঁ, ৰত্না !

(উনৈশ)

ইমান চিকিৎসা সত্বেও অসুখ বাঢ়িহে গৈছে। শৰীৰ আৰু মন ইমান দুৰ্ব্বল হৈ পৰিছে যে, কেতিয়াবা চেতনা হেৰুৱাই পেলাব খোজো। আজি আকৌ জ্বৰো উঠিছে। পুৱাতে জ্বৰ খুউব কম আছিলে…দিনটো তেনে ভাৱেই গ'ল। ৰাতি ৰামুৰ বাহিৰে বাকী আটাইকেইজনকে বিদায় দি যেতিয়া বিছনাত বাগৰি পৰিলো; তেতিয়া জ্বৰৰ প্ৰকোপ বাঢ়িব ধৰিলে। উপায় নেপাই ৰামুক মাতি ক'লো, মোৰ গোটেই শৰীৰটো কাপোৰেৰে ঢাকি দিবলৈ। মই কোৱা মতেই সি কাম কৰিলে। প্ৰায় এঘণ্টা পিচত

গোটেই শৰীৰটো ঘঁামি-যামি উঠিল। ঘঁামবোৰ বাহিৰ ওলাই যোৱাত গাটো বৰ পাতল পাতল লাগিল। জ্বৰে এৰা দিলে। কিন্তু মূৰৰ কামোৰণি উঠিল—বৰকৈ নহয়, কম পৰিমাণে। কাপোৰ-বোৰ শৰীৰৰ পৰা আঁতৰাই দিয়াত দেখিলো; বেৰৰ ফুটাৰে চন্দ্ৰৰ ক্ষীণ পোহৰ আহি কোঠাটিৰ ভিতৰত বিয়পি পৰিছে। বহুদিন এই চন্দ্ৰালোকিত ৰজনী প্ৰাণভৰি চাব পোৱা নাছিলো। পৃথিৱী এৰি যোৱাৰ আগতে এই সুখকণো এবাৰ উপভোগ কৰিবলৈ মন গ'ল। ৰামুৰ এই জুপুৰি ঘৰটিৰ সৰু ঠেক বাৰান্দাখনতে বহি ক্ষীণ চন্দ্ৰালোকিত মনোৰম ৰজনীৰ মনো-মোহা দৃশ্যটি উপভোগ কৰিবলৈ স্থিৰ কৰিলো। ৰামুক মাত দি ক'লোঃ ৰামু, তই এটি কাম কৰচোঁ! তই দুৱাৰ খন খুলি ডাক্তৰ বহিবলৈ ৰখা চকীখন তোৰ বাৰান্দাখনলৈ উলিয়াই নে ··মই তাত বহি চন্দ্ৰৰ ক্ষীণ পোহৰত অস্পষ্টভাৱে উজ্বলি উঠা পৃথিৱীৰ মনোমোহা দৃশ্যটি আজি হিয়া-ভৰি উপভোগ কৰিম···মোৰ বৰ ইচ্ছা হৈছে ৰামু, পৃথিৱীৰ এই মনোৰম দৃশ্যটি উপভোগ কৰিবলৈ।

মোৰ কথা শুনি ৰামু হতভম্বৰ দৰে থিয় হৈ মোৰ মুখৰ ফালে চাই ৰ'ল। সি মোৰ কথাৰ কোনো অৰ্থই বিচাৰি নেপালে। তাৰ মনৰ ভাৱ · সদায় ৰাতি হয়- সদায় চন্দ্ৰ ওলায় ···ইয়াক আকৌ উপভোগ কৰিবলৈ কি আছে ?

সাংসাৰিক নিচাত মদ-মত্ত, হোজা ৰামুৱে বাৰু ইয়াৰ বাহিৰে আৰু কি বুজিব ?—বুজিব পাৰিব সেই সকলে, যি সকলৰ 'সাংসাৰিক-ৰাগি'ৰ নিচা ভাঙিছে; আৰু সেই সকলে, যি সকলে

'পৃথিবী এৰিবলৈ' ভৰি দাঙিছে। মই পুনৰ দৃঢ় কণ্ঠে চকীখন বাহিৰ উলিয়াই নিবলৈ ৰামুক ক'লো।

ৰামুৱে দুৱাৰখন খুলি চকীখন বাহিৰলৈ নিলে। তাৰ পিচত, মোৰ ওচৰলৈ আহি ক'লেঃ খালি ভৰিৰে বাহিৰলৈ যাব নেলাগে দেউতা, জোতাযোৰ আৰু মোজাযোৰ পিন্ধাই দিওঁ।

তাৰ কথাত মোৰ হাঁহি উঠিলে। কিন্তু মোৰ প্ৰতি তাৰ অকৃত্ৰিম ভক্তি আৰু ভালপোৱা দেখি মৰমো উপজিল। তাৰ পবিত্ৰ মুখখনিলৈ চাই সস্নেহে ক'লো, "ৰামু! মোৰ ভৰি দুখনত জোতা আৰু মোজাযোৰ নহলে মই মৰিম নেকি?" সি উত্তৰ দিওঁ-নিদিওঁতেই মই পুনৰ ক'লোঃ চা, ৰামু! ভাৰতৰ চল্লিশ কোটী জনতা-- এই চল্লিশ কোটী জনতাৰ ভিতৰত পয়ঁত্ৰিশ কোটী জনতাৰ ভৰিত আজিও জোতা আৰু মোজা নাই। মোৰ দৰে সিহঁতৰোতো অসুখ-বিসুখ হৈছে। মোৰ অসুখ-বিসুখত মোক যদি জোতা লাগে, সিহঁতকোতো লাগে। কিন্তু আজি সিহঁত—জোতা মোজা দূৰৈৰ কথা, পেটৰ ভাত মুঠিৰ পৰাও বঞ্চিত হৈ আছে। এনেকি ৰামু, সিহঁতে বেমাৰত পৰিলে বেমাৰৰ ঔষধ এপালিকে বিচাৰি নেপায়। এনেস্থলত, মই কিয় জোতা আৰু মোজাযোৰ ভৰিত সুমুৱাই লৈ পাপ বঢ়াই লওঁ? তদুপৰি, ৰামু! মোৰ বিদায়ৰ এই আগমুহূৰ্ত্তত মই পাপ আৰু বঢ়াই নলওঁ ব'ল, মোক কোনোমতে চকীখনলৈ লৈ ব'ল!

(বিশ)

সৃষ্টিৰ ৰহস্য মোৰ বাবে চিৰদিন ৰহস্য হৈয়ে ৰ'ল; ইয়াৰ কোনো আঁতি গুৰি মই বিচাৰি নেপালো ।

চন্দ্ৰটো লাহে লাহে পশ্চিমাকাশত ঢলি পৰিছে; যেন, আজিৰ বাবে তাৰ যিখিনি কাম, সেইখিনি ক্ৰমে শেষ হৈ আহিছে। এৰা, পৃথিবীখন কৰ্ত্তব্যৰ মেলা···নিজৰ নিজৰ কামৰ বাবে মানুহ পৃথিবীলৈ আহে, আৰু কাম শেষ হ'লেই ওভতি যায়! কিন্তু আৰু এটি কথা মনলৈ আহিছে···প্ৰত্যেক জীৱৰ যেনেকৈ কৰ্ম্ম আছে, থিক তেনেকৈ সেই 'কৰ্ম্ম' সমাধা কৰিবলৈ যেন 'কাল' ও নিৰ্দ্ধাৰিত কৰি দিয়া আছে। সেই 'নিৰ্দ্ধাৰিত কাল'ৰ (আয়ুষৰ) ভিতৰত কোনো জীৱই যদি তাৰ 'নিৰ্দ্ধাৰিত কৰ্ম্ম' শেষ কৰিব নোৱাৰে তেন্তে; তাৰ বাবে সৃষ্টি কৰ্ত্তা দায়ী নহয়। কাৰোপ্ৰতি দয়া পৰবশহৈ বা, কাৰোপ্ৰতি হিংসাবশতঃ তেওঁ কোনো জীৱকেই তাৰ 'নিৰ্দ্ধাৰিত কাল'তকৈ একমুহূৰ্ত্তকাল বঢ়াইও নিদিয়ে, একমুহূৰ্ত্ত কমাইও নিদিয়ে। এই পশ্চিমাকাশত ঢলি পৰিব ধৰা চন্দ্ৰটিৰো ক্ষমতা নাই যে, তাৰ ইচ্ছানুযায়ী সি এক মুহূৰ্ত্ত কাল আকাশত বেছিকৈ ৰ'ব বা, একমুহূৰ্ত্ত কমকৈ ৰ'ব! কিন্তু চন্দ্ৰটোৱে জানে নে, সি কোন মুহূৰ্ত্তত ঢলি পৰিব? নেজানে!—আশ্চৰ্য্য কথা! বিশ্ব ব্ৰহ্মাণ্ডৰ কোনো জীৱই, কোনো বস্তুৱে এই কথা নেজানে যে, সি কোন মুহূৰ্ত্তত লুপ্ত হ'ব! অৰ্থাৎ

'নিৰ্দ্ধাৰিত কাল'ৰ সীমা কিমান দূৰলৈ সেই কথা কোনো জীৱই শেষ মুহূৰ্ত্তলৈ নেজানে। আৰু আশ্চৰ্য্যৰ কথা এই যে, কোনো জীৱই তাৰ 'নিৰ্দ্ধাৰিত কৰ্ম্ম'ৰ সীমা কিমান দূৰলৈ সেই কথাও সি কোনো ৰকমেই জানিব নোৱাৰে। ইয়াৰ কাৰণ কি ? জীৱৰ পৰীক্ষা ?—নে, সৃষ্টি কৰ্ত্তাৰ খেল ? ঈশ্বৰে মানুহক সকলো কথা জানিব দি এই দুটিক কিয় 'অজ্ঞাত' কৰি ৰাখিলে ?—নে ইয়াতেই সৃষ্টিৰ ৰহস্য ? হে প্ৰভু. জগদীশ্বৰ ! তোমাৰ এই বিশাল বিচিত্ৰ সৃষ্টি ৰাজ্যত আমি দুঠেঙীয়া মানুহবোৰ কি যে ক্ষুদ্ৰ আৰু সাধাৰণ জীৱ ! তোমাৰ মহাজ্ঞানৰ ওচৰত, আমাৰ জ্ঞান কিমান ক্ষুদ্ৰ ! তোমাৰ মহাবুদ্ধিৰ ওচৰত, আমাৰ বুদ্ধি কিমান নগন্য ! তোমাৰ মহাশক্তিৰ ওচৰত, আমাৰ শক্তি কিমান তুচ্ছ ! কিন্তু তথাপিও, মোৰ দৰে মূৰ্খবোৰৰ গৰ্ব্বৰ শেষ নাই. প্ৰভু !

(এক্কৈশ)

আকাশলৈ চাই চাই বহু কথাই ভাবি আছিলো· চিন্তাত একেবাৰে তন্ময় হৈ গৈছিলো। এনেতে, হঠাতে চক্ খাই উঠিলো – ৰামু টোপনিৰ জালাত ঘূৰটুপীয়াই থাকোতে এবাৰ হঠাতে সন্মুখৰ ফালে হামখুৰি খাই পৰিল···আৰু পৰোতে. মই চক্ খাই উঠিলো—চিন্তা ভঙ্গ হ'ল। ৰামুৱে চকুমুখ'মোহাৰি পুনৰ উঠি বহিল।

ৰামুৰ প্ৰতি মোৰ হিংসা উপজিল।—ধন্য তাৰ জীৱন...তাৰ চকুত নিদ্ৰা আহিছে ! সুধিলোঃ ৰামু, তোৰ টোপনি লাগিছে ?

ঃ হয়, দেউতা !

ঃ তই ভাগ্যবান, ৰামু ! তোক নিদ্ৰাদেবীয়ে দয়া কৰিছে। কিন্তু মোক তো কোনেও দয়া নকৰে, ৰামু ! মোৰ মনত শান্তি নাই, চকুত টোপনি নাই, পেটত ভোক নাই, জীৱনত সুখ নাই— কিয় জান, ৰামু ? এই পৃথিবীৰ পৰা মই অতি সোনকালে আঁতৰি যাম ! সেয়ে, এই পৃথিবীখন মোৰ জীৱনৰ শেষ মুহূৰ্ত্তলৈ মই নয়ন ভৰি উপভোগ কৰিব খোজো···চকু মুদিব মোৰ ভয় লাগে, ৰামু !—জানোছা, সেই নিদ্ৰাই মহানিদ্ৰা হয়—মহানিদ্ৰা, ৰামু !

ঃ দেউতা ! দেউতা !

ঃ ৰামু ! ৰামু চাচোঁন, চন্দ্ৰটো পশ্চিমাকাশত ঢলি পৰিলে··· পৃথিবীখন অন্ধকাৰ হৈ আহিল··তোক মই দেখি নোপোৱা হ'লো...কিন্তু ৰামু ! এই অন্ধকাৰ ভেদ কৰি মোৰ মনঃচক্ষুৰ সন্মুখত কিছুমান মানুহৰ মুখচ্ছবি ভাঁহি উঠিছে। এই মুখবোৰ কেনেকুৱা জান ৰামু ?—থিক তোৰ মুখৰ দৰেই সৰল আৰু পবিত্ৰ। চকুবোৰ গাঁতত সোমোৱা, কপালৰ ঘাঁমবোৰ বৈ পৰা, মুখবোৰ ৰ'দত পোৰা, চুলিবোৰ বৰষুণত তিতা, গালবোৰ সোমাই যোৱা, পিঠিবোৰ ভাঁজ খোৱা, পেটবোৰ পিঠিত লগা, কঁকালবোৰ চিঁয়া চিঁয়া, বুকুৰ কামিহাড় ওলোৱা, বুকুই পিঠিয়ে বোকা-পানী লগা, গালে মুখে ক'লা ছাঁই লগা, হাতে-ভৰিয়ে

ক'লা তেল লগা, ডিঙিৰ শিৰবোৰ ওলাই যোৱা, গাৰ ছালবোৰ শোটোৰা-শোটৰি পৰা, কাপোৰবোৰ ফটা-ছিৰা, চুলিবোৰ ৰঙা পৰি যোৱা . ইহঁত আটায়ে যেন মোৰ ফালে একেথিৰে চাই আছে হিংসা নাই, কপট নাই···উদাসীন· ·ভাষণভাৱে উদাসীন·· ইহঁতক মই চিনিছো, ৰামু · ইহঁতক মই চিনিছো ! ইহঁতকেই শোষণ কৰি মোৰ এই দালান বান্ধিছো, মাটি-বাৰী কিনিছো, মটৰ গাড়ী চলাইছো, ৰেডিও বজাইছো · ইহঁতক মই চিনিছো, ৰামু··· ইহঁতক মই চিনিছো ! ইহঁতকেই শোষণ কৰি মই অজস্ৰ সম্পত্তিৰ মালিক হৈ পৰিছো, ইহঁতকেই পীড়ন কৰি মই নিজকে 'বৰ-মানুহ' বুলাইছো·· মই ইহঁতক চিনিছো, ৰামু·· মই ইহঁতক চিনিছো ! ইহঁত কোন জান, ৰামু ? ইহঁত হৈছে, ভাৰতৰ মেহনতি জনতা ইহঁতেই ভাৰতৰ শ্ৰমিক, কৃষক, মজুৰ !— ৰামু ! ইহঁতৰ সম্পত্তি মই কেতিয়াও আত্মসাৎ নকৰো ·· ইহঁতৰ সম্পত্তি মই ইহঁতকে ফিৰাই দিম·· মই ফিৰাই দিবই লাগিব, ৰামু !—ইহঁতেই হৈছে ভাৰতৰ ভাগ্য বিধাতা·· ইহঁতেই ভাৰতৰ ভাগ্য নিয়ন্তা ইহঁতৰ সম্পত্তি আত্মসাৎ কৰাৰ অধিকাৰ কোনো শোষণকাৰীৰে নাই !

22 JUN 1960
GAUHATI

(বাইশ)

আজি ৰাতিপুৱা চকু দুটি অলপ মুদ খাই আহিছিল। কিন্তু আকৌ হঠাতে সাৰ পালোঁ। মুখেৰে তেজ গৈছে। তেজ! এৰা, তেজ! জীৱনায়ুষ যেন বৈ গৈছে·· মৃত্যুৱে যেন আগ-জাননী দিছে ··পথিক সাজু হোৱা; তোমাৰ অভিনয় শেষ হৈ আহিছে! ডাক্তৰে কৈছে, অপাৰেশন কৰিলে ভাল হ'ব পাৰে। 'ভাল হ'ব পাৰে!' কিন্তু ডাক্তৰে নিশ্চয়তা দি নকয় যে, 'ভাল হবই!' যদি ডাক্তৰে নিশ্চয়তা দিব নোৱাৰে; ময়ো অপাৰেশনৰ বাবে মান্তি নহওঁ···মৃত্যু যদি অপাৰেশন কৰিলেও আহিবই··· তেন্তে, বিনা অপাৰেশনেই সেই মৃত্যু আহক···মই আনন্দে মৃত্যুক আকোৱালি লম···মইতো সেই মহা বন্ধুৰ বাবেই বাট চাই ৰৈছো···মাজতে এই মূৰ্খ ডাক্তৰ, বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনবোৰ সোমাই অশান্তিৰ সৃষ্টি কৰিছে কিয়? কান্দো-কান্দো চকু দুটিৰে মোৰ ওচৰতে বহি থকা ৰত্নাক ক'লো

ঃ ৰত্না! মোৰ মনৰ কি ইচ্ছা হৈছে, জানা? মোৰ মৃত্যুৰ আগতে মোৰ এই সমস্ত সম্পত্তি মই দেশবাসীক ফিৰাই দি যাব খোজো।

ঃ কিন্তু, নাথ! আপোনাৰ অবিহনে আপোনাৰ এই সম্পত্তিৰ অধিকাৰী দীপ আৰু সোণহে—দেশবাসীতো নহয়!

ঃ দেশবাসী নহয়!—সোণ আৰু দীপহে?—কিন্তু কোন

অধিকাৰৰ বলত সিহঁত মোৰ সম্পত্তিৰ অধিকাৰী বন্ধু ?

: সন্তানৰ।

: সন্তান!—কিন্তু বন্ধু,—ৰামু যদি মোৰ সন্তান হ'লহেঁতেন ?

: তেন্তে, ৰামুৱেই অধিকাৰী হ'লহেঁতেন!

: শুনা, বন্ধু! সেইটো ভুল বিচাৰ।—সন্তানটি জন্মিয়েই যদি সি তাৰ পিতৃ সম্পত্তিৰ ওপৰত অধিকাৰ স্থাপন কৰিব পাৰে তেন্তে; মই যি দেশৰ সন্তান, যি দেশৰ পৰা মোৰ সমস্ত সম্পত্তি আহৰণ কৰিছো, মোৰ সেই দেশবাসীয়ে মোৰ মৃত্যুৰ পিচত, মোৰ সম্পত্তিৰ ওপৰত কিয় অধিকাৰ পাব নোৱাৰে ? সেইবোৰ ভুল বিচাৰ, বন্ধু! প্ৰকৃত বিচাৰ হৈছে—সন্তানে তাৰ পিতৃ সম্পত্তিৰ ওপৰত সেইখিনিহে দাবী কৰিব পাৰে—যিখিনি তাৰ চাবালকত্ব প্ৰাপ্তিলৈ—তাৰ ভৰণ-পোষণৰ বাবে দৰকাৰ হ'ব পাৰে। আৰু, বন্ধু! কোনোৱে যদি তাৰ শৰীৰৰ স্বাভাৱিক শক্তিৰে আৰ্জিব পৰা সম্পত্তিতকৈ অধিক সম্পত্তিৰ মালিক হয়; তেন্তে এই কথা বুজিবই লাগিব যে, হয় সি কাৰোবাক ঠগি, প্ৰৱঞ্চনা কৰি, বিশ্বাসঘাটকতাৰ দ্বাৰা, চুৰিৰে, ডকাইতিৰে সেই সম্পত্তি হস্তগত কৰিছে—নতুবা, সমাজৰ প্ৰচলিত আইনৰ সুযোগ লৈ—যি আইন সমাজৰ শোষক শ্ৰেণীৰ শোষণৰ সুবিধাৰ্থে প্ৰচলিত ৰখা হৈছে—সেই জঘন্য আইনৰ আশ্ৰয় লৈ, শোষণৰ জৰিয়তে সি সেই অতিৰিক্ত সম্পত্তিৰ মালিক হৈছে। মই যে আজি এই অজস্ৰ সম্পত্তিৰ মালিক হৈছো, বন্ধু—এই সম্পত্তিৰাশিওতো মই উপৰোক্ত

এটি অন্যায় পন্থাৰেই আহৰণ কৰিছো। অৰ্থাৎ, এই সম্পত্তি ৰাশি ধৰ্ম্মতঃ আৰু ন্যায়তঃ মোৰ নহয়—আনৰ—সমাজৰ। আনৰ পৰা, অন্যায় পন্থ'ৰে লুটি অনা মোৰ এই সম্পত্তি ৰাশি মই যদি জানি শুনিও মোৰ পুত্ৰ কন্যাৰ হাতত তুলি দিওঁ তেন্তে; মোৰ এই অন্যায় কৰ্ম্মৰ দ্বাৰা অকল মোৰেই যে পাপ বঢ়াই লোৱা হ'ব এনে নহয়—লগে লগে মোৰ পুত্ৰ কন্যাকো পাপ সাগৰত নিক্ষেপ কৰা হ'ব। গতিকে বন্তা! মোৰ পুত্ৰ কন্যাৰ কল্যাণাৰ্থেই মই মোৰ এই সম্পত্তিৰাশি সিহঁতৰ নামত লিখি দিয়াটো ভুল হ'ব। মই স্থিৰ কৰিছো, যেয়ে মোৰ এই সম্পত্তিৰ প্ৰকৃত উত্তৰাধিকাৰী সিহঁতকেই এই সম্পত্তিৰাশি ফিৰাই দিম। মোৰ সিদ্ধান্তত বাধা দি তুমি মোৰ অশান্তিৰ মাত্ৰা আৰু বঢ়াই নুতুলিবা, বন্তা!

(তেইশ)

ৰাতি শোৱৰ সময়ত ৰামুৱে মোক ক'লে :দেউতা! আজি বোধকৰো মা ইয়ালৈ আহিব নোৱাৰিব...তেখেতৰ প্ৰসৱ বেদনা বেছি হৈছে।

প্ৰসৱ বেদনা বেছি হৈছে! প্ৰসৱ! উস্! সহিব ইমান টান পাইছো···ইমান যে টান এইবোৰ সহি থকাটো···কিয় বাৰু

টান ?···টানতো, মোৰ পক্ষে একো নহয়...মোৰতো প্ৰসৱ বেদনা উঠা নাই····· যাৰ এই বেদনা উঠিছে—সি যদি টান নেপায়, যাৰ উঠা নাই—সি কিয় টান পাব ? কিন্তু—কিন্তু তথাপি টান পাইছো···কষ্ট পাইছো বামু—বন্তাৰ প্ৰসৱ বেদনা উঠিছে, নহয় ? কিন্তু শুন, মোৰো মৃত্যুৰ বেদনা উঠিছে···মই বোধকৰো আৰু বেছিক্ষণ বাচি নেথাকো। তই এটি কাম কৰ, বামু ! মোৰ সমস্ত গাই মূৰে কাপোৰ ঢাকি দে·· যদি মোৰ নিদ্ৰা আহে, আহক -নতুবা, মহানিদ্ৰাই আহক···মই শান্তি বিচাৰিছো, বামু —মই শান্তি বিচাৰিছো···দে, দে—তই মোৰ সৰ্ব্বাঙ্গ শৰীৰ ভালদৰে ঢাকি দে !······

উপায়হীনৰ দৰে, বামুৱে মোৰ সৰ্ব্বাঙ্গ ঢাকি দি ওচৰতে উচুঁপি উচুঁপি কান্দি ৰ'ল। মই চকু মুদিলো। কিন্তু হে প্ৰভু ! কি যে বিধিৰ বিচাৰ ! ক্ষন্তেক পিচতে মোৰ মৃত্যুৱেই ঘটিলে ! ঘৰ খনত হুলস্থূল লাগিল। আউলি-বাউলী চুলিৰে বন্তা লৰি আহি মোক সাৱটি ধৰি হুক্ হুকৈ কান্দি কান্দি ক'ব ধৰিলে, “নাথ ! মোৰ প্ৰাণ-নাথ ! আপুনি মোক অকলে কিয় এৰি থৈ গ'ল ?···মোকো লগতে নিয়ক, মোৰো এই পৃথিবীত আৰু বাচি থাকিবৰ ইচ্ছা নাই—নাথ, মোকো নিয়ক লগতে !” দীপালি আৰু সোণে 'দেউতা' 'দেউতা' কৈ উচুঁপি উচুঁপি ওচৰতে থিয় হৈ ৰ'ল। খবৰটিয়ে ক্ষন্তেকতে জুই বিয়পা দিলে। বহু বন্ধু-বান্ধৱেৰে ঘৰ চোতাল উপচি পৰিল। তাৰে কিছুমানে চকুপানী বোৱাই দুখ প্ৰকাশ কৰিলে। কিছুমানে 'আহ !' 'আহ !' কৈয়েই মনৰ দুখ ভাৱ

জনালে। কিছুমানে 'এজন খাঁটি মানুহে আজি বিদায় ললে' বুলি আক্ষেপ কৰিব ধৰিলে। আকৌ কোনোৱে কোনোৱে ক'লে, "দেশৰ অপূৰণীয় ক্ষতি হ'ল"। কোনোৱে ক'লে, "এখেত নিৰ্ভীক আৰু কৰ্ম্মবীৰ আছিল।" এজনে ক'লে, "দেশৰ উন্নতি খিনিতো এখেতৰ পৰাই হ'ল।" আনজনে ক'লে, "সচাঁকৈ, এখেতেই দেশখনক এটি গঢ় দি গ'ল।" ওচৰৰ জনে ক'লে, "এখেত এজন মহা দেশভক্ত আছিল"। দূৰৈৰ জনে ক'লে, "চিৰ জীৱনটি এওঁ অহিংসাতে কটালে।" সন্মুখৰ জনে ক'লে, "এখেত অহিংসাৰ প্ৰতিমূৰ্ত্তি আছিল।" পিচৰ জনে ক'লে, "সত্যৰ বাবে জীৱনটিকে উচৰ্গি গ'ল।" সোঁহাতে থকা জনে ক'লে, "মানুহজন বৰ দানী আছিল।" বাওঁহাতৰজনে ক'লে, "মানুহজনে কাৰো পৰাই দুপইচা অন্যায় কৰি নলৈছিল।" আৰু কতজনে যে কি কি নকৈ দুখ প্ৰকাশ নকৰিলে তাৰ সীমা সংখ্যা নাই!

কিন্তু মোৰ দেহ-বহিৰ্গামী আত্মা অধৈৰ্য্য হৈ উঠিছিল, এইবোৰ শুনি ব'বলৈ। দেখিলো, মোৰ শ'টোৰ ওপৰৰ পৰা—কান্দি কান্দি পাগলীৰ দৰে হোৱা ৰম্ভাক, কেশৰে টানি তুলিছে। কৈছে, "কান্দিলে আৰু কি হ'ব, ৰম্ভা! যি হ'বৰ হ'ল! আমি প্ৰত্যেকেই এদিন এই পথ লব লাগিব। আহা, আহা উঠা—তোমাৰ অসুখ বেছি হ'ব!" ৰম্ভাক আলফুলকৈ ধৰি লৈ কেশৱ অলপ আঁতৰি আহিছে। ৰামুৱে প্ৰথমে পাৰ্ৰৈমানে কান্দিলে। তাৰ পিচত চকু মুখ মচি কি বিচাৰি যেন ক'লৈ গুচি গ'ল!

লাহে লাহে ৰাতি পুৱাই আহিল। পুৱাৰ বাতৰি কাকত-বোৰে প্ৰথম পৃষ্ঠাতে দুখ প্ৰকাশি ডাঙৰ ডাঙৰ শিৰোনামাৰে যিমান পাৰে সিমান লিখিলে। এই বাতৰিৰ ওচৰতে সংক্ষিপ্ত ভাৱে মোৰ জীৱনীও প্ৰকাশ কৰিলে। এনেকি; ইয়াকো লিখিলে "এই মহাপুৰুষজনৰ আদৰ্শ সকলো দেশবাসীয়ে অনুসৰণ কৰিবলৈ চেষ্টা কৰা উচিত।" চৰকাৰী অফিচ আদালতবোৰত ৰাষ্ট্ৰীয় পতাকা অৰ্দ্ধনমিত কৰা হ'ল। বেচৰকাৰী শিক্ষানুষ্ঠান আৰু চৰকাৰী অফিচ আদালতবোৰ বন্ধ হৈ গ'ল।—দেশখন যেন নিজুম পৰিল। কিন্তু, এই মহামূৰ্খামিবোৰ চাই ৰবলৈ মোৰ আৰু ধৈৰ্য্য নহৈছিল। কাৰণ, শ'টোৰ ইতিমধ্যে গোন্ধ ওলাইছে !······

অৱশেষত, কিছুমান বন্ধু-বান্ধৱে আৰু আত্মীয়স্বজনে লাহে ধীৰে কৰো-নকৰোকৈ, ধৰো-নধৰোকৈ মোৰ প্ৰাণহীন দেহটো মই শোৱা ভঙা খাটখনতে পৰাখিনি সজাই পৰাই, ফুল সুগন্ধি ছটিয়াই, ধূপ ধুনা জ্বলাই, হৰিধ্বনি সহকাৰে আৱৰণ খোলা মটৰ এখনত তুলি দিলে। আৰম্ভ হ'ল, মৌন শোক-শোভা-যাত্ৰা···জনতা গাড়ীৰ পিচে পিচে আহিব ধৰিলে · কেইজনমান ফটোগ্ৰাফাৰে কেইখনমান ফটোও তুলি ললে। এনেকৈয়ে, চহৰৰ কিছু অংশ ঘূৰি পকি আহি পালো—শ্মশানঘাট ! আহিয়ে দেখিলো, ৰামুৱে খৰি-খেৰ যোগাৰ কৰি লৈ বহি আছে। যেন, সি মোক জ্বলাই পুৰি শেষ কৰাৰ আশাতে বৈ আছে ! খং উঠি আহিছিল···বেটা চাকৰটো !—ইয়াতকৈ আৰু সি কি

 মন্ত্ৰী মহোদয়ৰ আকথা—

বেছি কৰিব। হৰিধ্বনি সহকাৰে পুনৰ গাড়ীৰ পৰা শ' নমোৱা হ'ল। কেইজনমানে ধৰাধৰি কৰি চিতা সাজিলে। এসময়ত যিবোৰ ব্যৱসায়ীক টকা ভেটী খাই তেলৰ পাৰ্‌মিট দিছিলো··· সিহঁতৰ কেইজনমানে তেলৰ সলনি মোৰ চিতাৰ ওপৰত ঘি ঢালি দিলে। মোক চিতাত তুলি প্ৰথম জুইকুঁৰা যিজনে মোৰ মুখত সুঁমুৱাই দিলে—সেইজন হৈছে, মোৰ অতি চেনেহৰ সোণকণ—মোৰ হেঁনো সম্পত্তিৰ মালিক! কি যে মানুহৰ বিচাৰ! জুই দপ্‌দপকৈ জ্বলি উঠিল···চাওঁতে চাওঁতেই অসাৰ দেহ ধোঁৱা আকাৰে আকাশত বিলীন হৈ গ'ল। আটায়ে ঘৰা-ঘৰি ঘূৰি আহিল। মোৰ আত্মা শ্মশানতে অকলসৰে বহি কিবা-কিবিখন ভাবি চিন্তি ৰ'ল। কেইদিনমান তেনেকৈ বহিয়ে ৰ'লোঁ। এনেতে, হঠাতে এদিনাখন দেখিলো—ৰামুৰ প্ৰাণহীন শ'টো দেঁখোন কেইজনমানে সাঙি কৰি শ্মশানলৈ আনিছে। তেন্তে ৰামুৰো মৃত্যু ঘটিল! কিন্তু তাৰ বাবে দেখোঁন চকুলোঁ টুকা মানুহ এজনো নেদেখো! এৰা, তাৰ বাবে চকুলোঁ টুকিবই বা কি আছে....এজন চাকৰহে সি! কিন্তু এই কাণ্ড-জ্ঞানহীন মানুহ কেইজনে কৰে কি?—ইহঁতে দেঁখোন মোক খৰি দিয়া ঠাই খনতে ৰামুকো খৰি দিবৰ ব্যৱস্থা কৰিছে! মই অধৈৰ্য্য হৈ উঠিলো। পাৰোমানে চিঞৰি চিঞৰি ক'লো, "হেৰৌ, মূৰ্খহঁত! বোলো, শুনিছানে নাই, অ' গাধাহঁত! ৰামু হৈছে, মোৰ চাকৰ—আৰু মই হৈছো, তাৰ প্ৰভু!—তুয়োকো একে ঠাইতে খৰি দিবলৈ তহঁতক কোনে অনুমতি দিছে?" এই একে কথাকে দহবাৰ মান

ক'লো, উ হু ! —নে, সিহঁতে মোৰ কথাৰ ফালে কাণেই দিয়ে নে, মনেই কৰে ! কতবাৰ যে চিঞৰি-বাখৰি, গালি শপনি নিদিলো, কিমান বাৰ যে বাধা নিষেধ নকৰিলো, এনেকি, অনুনয়-অনুৰোধ কৰিও চালো···কিন্তু সিহঁতে মোৰ কথা নেমানিলে যে—নেমানিলেই !—সেই একে ঠাইতেই তাকো খৰি দি সিহঁত ঘৰা-ঘৰি গ'ল ।

মোৰ এই অপমানত, মই বৰ আঘাত পালো······সশব্দে কান্দি কান্দি ঘৰমুৱা হৈ আহিব ধৰিলো । ৰাস্তাত বহুজনে মোক লগ পালে কিন্তু; কোনেও এষাৰ মাতকে নিদিলে···অলপ সহানুভূতিও নেদেখুৱালে । আহি আহি ঘৰৰ ওচৰ পালো । গেটটো খুলি ভিতৰ সোমালো । দেশীয় ফুলবোৰ লহ্-পহকৈ ফুলি-জুলি উঠিছে ! দেখিলো, মোৰ পুৰণি মালীজনে ফুলৰ গুৰিত খন্তি মাৰিছে । মই তাক ক'লো, বোলো হেৰ' মালী ! তই ফুলৰ গুৰিত এনেকৈ খন্তি মাৰিলে কি হ'ব···তোৰ প্ৰভুই যিহেতু আৰু নাই···এই ফুলৰ মূল্য কোনে বুজিব ক ?—মালীয়ে মোৰ কথালৈ তিল পৰিমানো কাণেই নকৰিলে···সি আগতকৈও একান্তমনে খন্তিহে চলাব ধৰিলে । খং উঠি আহিল । সি শুনাকৈ ক'লো, "এই চাকৰবোৰ হৈছে, নিমখ হাৰামৰ জাত ।" সি নিৰ্ব্বিকাৰ ৰ'ল । তাতেই তাক এৰি থৈ মোৰ কোঠাটিলৈ গ'লো । কোঠাৰ দুৱাৰখন খুলিয়েই দেখিলো, ৰম্ভাই লোহাৰ পেৰাটো খুলি এটি হীৰাৰ আঙুঠি উলিয়াই কেশৱক পিন্ধাই দিছে । আঙুঠিতো মোৰ । মোৰ গাটো চম্-চমাই আহিল ।

Please handle the book carefully.

তাৰ পিচত দেখিলো, ৰম্ভাৰ হাতৰ পৰা ছাবি কোছালৈ 'পেৰা-টোত আৰু কি কি আছে, চাওঁ' বুলিকৈ কেশৱে পেৰাটোৰ গোটেই কেইটা 'খোল' খুলিব ধৰিলে। তাৰে এটি খোলত বহুদিন আগতে মই এশ-টকীয়া নোটৰ কিছুমান বান্দিল সুমুৱাই ৰাখি-ছিলো। কেশৱে খোলটো খুলি তাৰে কেইটামান বান্দিল হাতৰ মুঠিত লৈ ৰম্ভালৈ চাই ক'লে, "এই কেইটা মই নিওঁ, ৰম্ভা!" মই ধৈৰ্য্য হেৰুৱাই পেলালো। খঙৰে চিঞৰি ক'লো, "হেৰৌ, সেই কেইটা নিনিবি!—মই বহু কষ্টৰে এইবেৰ গোটাইছো...থ, সেইবোৰ বেগতে থ!" এনেতে, ৰম্ভাই ক'লে, "নিয়া, নিয়া প্ৰিয়তম! তোমাৰ বাবেইতো এই টকা-কড়িবোৰ...হুঁ, নিয়া—পেৰাৰ এই ছাবি কোছাও তোমাৰ সৈতে ৰাখা।" মই বজ্ৰা হতৰ দৰে মোৰ মূৰটো দুয়োহাতেৰে খামোচ মাৰি ধৰি থিয় দি ৰ'লো। মোৰ পেৰাৰ ছাবি—যি ছাবি মই কোনো-দিনেই কোনো মানুহৰ হাতত তুলি দিয়া নাছিলো; এতিয়া সেই ছাবি কেশৱৰ কঁকালত!—মোৰ হীৰাৰ আঙুঠি—যি আঙুঠি মই নিজেই—যিকোনো সময়তে ব্যৱহাৰ নকৰিছিলো, এতিয়া কেশৱৰ হাতত! এইবোৰ জানো সহ্য কৰিব পাৰি! এনেতে, পুনৰ দেখিলো; ৰম্ভাই মোৰ বহুমূলীয়া পালেং-খনত বেশ্যাৰ দৰে শুই-বাগৰি, নিলৰ্জ্জাৰ দৰে চাই হাঁহি কেশৱক আহ্বান জনাইছে...কেশৱো মাংস-লোভী শগুনৰ দৰে ল'হেকৈ গৈ ৰম্ভাৰ গা-চুই বহিছে!—মই সম্পূৰ্ণ অধৈৰ্য্য হৈ উঠিলো। একে লবে গৈ দেৱালত আৰি থোৱা মোৰ বন্দুকটি

হাতত তুলি ললোঁ আৰু, মুহূৰ্ত্তৰ ভিতৰতে বন্দুকটিত গুলি ছুটি ভৰাই দুয়োকো বজ্ৰকণ্ঠে ক'লো, "পাপ কৰ্ম্মত মদ-মত্ত, শুন হেৰ' মৰ্ত্ত্যৰ নৰ পশুদ্বয়! তহঁত প্ৰত্যেকেই হৈছ, পাপৰ একোটি ঘৃণিত প্ৰতিমূৰ্ত্তি! গতিকে,—দুয়ো এই পৃথিবীৰ পৰা এই মুহূৰ্ত্তে আঁতৰি যা—যা, যা, যা······!" ভীষণ গৰ্জ্জন কৰি এটি এটিকৈ দুয়োটি গুলিয়ে দুয়োৰো বক্ষঃস্থল ভেদ কৰি দুয়োকো মাটিত লুটি খুৱাই পেলালে। কোঠাটি ধোঁৱাময় হৈ উঠিল। আনন্দত অধীৰ হৈ মই ভীষণ ভাৱে হাঁহিব ধৰিলো—হাঃ হাঃ হাঃ, হাঃ হাঃ হাঃ, হাঃ হাঃ হাঃ!······! এনেতে মই যেন ক'ৰবাৰ পৰা বাগৰি পৰিলো। কোনোবাই লৰি আহি মোক সাৱটি ধৰি মাতিব ধৰিলে: দেউতা! দেউতা!—দেউতা! দেউতা!

: কোন! কোনে মোক মাতিছ?

: মই, দেউতা! মই ৰামু—ৰামু দেউতা!

: ৰামু!—ৰামু তই ইয়াত?

: হয়, দেউতা!—ইয়াতেই আছো।

: ইমান দিন তই ক'ত আছিলি, ৰামু?

: ইয়াতেই আছো দেউতা, ইয়াতেই······।

: ইয়াতেই!—তেন্তে মই ক'ত আছো, ৰামু?

: আপুনিও ঘৰতে আছে, দেউতা!—উঠক, উঠক দেউতা!

: ময়ো ঘৰতে আছো—তয়ো ঘৰতে আছ···কিন্তু—কিন্তু ৰম্ভা আৰু কেশৱ ক'ত ৰামু?

: সিহঁতো ঘৰতে আছে! উঠক, উঠক দেউতা!

ঃ সিহঁতো ঘৰতে আছে !—কিন্তু সিহঁত ভালে আছেতো, ৰামু !

ঃ হয়, দেউতা—দুয়ো ভালেই আছে···আপুনি উঠক··· আপুনি বৰ দুখ পাইছে, দেউতা !

ঃ দুয়ো ভালেই আছে ! - মইহে দুখ পাইছো ! এৰা, মোৰ গাটো বৰকৈ বিষাইছে !—কিয় বিষাইছে, ৰামু ?

ঃ আপুনি বিছনাৰ পৰা বাগৰি পৰিছে, দেউতা !

ঃ বিছনাৰ পৰা বাগৰি পৰিছো !—কিয় পৰিছো, ৰামু ?

ঃ বোধকৰো, সপোন দেখিছিল।

ঃ বোধকৰো. সপোন দেখিছিলো !

ঃ হয় দেউতা, সপোন !

(চল্লিশ)

ঃ ৰামু !

ঃ দেউতা !

ঃ যোৱা ৰাতি মই সপোন দেখিছিলো, নহয় ?

ঃ সপোনেই দেউতা !

এৰা, সপোনেই ! কিন্তু ৰামু ····· ?

ঃ দেউতা !

ঃ—আমি অকল ৰাতিয়েই সপোন নেদেখো—দিনতো সপোন দেখো ৰামু···দিনতো সপোন দেখো! · গোটেই জীৱনতে সপোন দেখো···জন্মৰ পৰা মৃত্যুলৈকে অকল সপোনকে দেখো···সপোন-ময় জীৱন! ৰামু—জীৱনটি সপোনময়! যোৱা ৰাতি মোৰ সপোন ভাঙিছে নহয়?—নহয়, নহয়! যোৱা ৰাতি মোৰ 'জীৱনৰ সপোন' ভাঙিছে—এৰা, 'জীৱনৰ সপোন!' জন্মৰ পৰা যোৱা বাতি পৰ্য্যন্ত মোৰ সপোনতে গ'ল···কালি মই সাৰ পাইছো ···মই মাথোঁ কালিহে সাৰ পালো, ৰামু!

ঃ আপুনি এইবোৰ কি বকিছে, দেউতা?

ঃ কি বকিছো? এৰা, বকিছো! বকি বকিয়েইতো জীৱন টো মই শেষ কৰিলো, ৰামু!—কৰিবলগীয়া কাম জীৱনত একোৱেই কৰিব নোৱাৰিলো—মাথোঁ বকিলো! বৃথা বকনি! —ৰামু, বিশ্বাস কৰিবি ৰামু—মই আৰু নবকো—মই সাৰ পাইছো, ৰামু—বহুদিন মই টোপনিতে ৰ'লোঁ—বহু বছৰ ৰ'লোঁ, ৰামু—বহু বছৰ ৰ'লোঁ! যিটোকে 'বাস্তৱ' বুলি ভাবিছিলো; এতিয়া বুজিছো, সেইটো 'সপোন'—সপোন—ভীষণ সপোন ৰামু —ভীষণ সপোন! কিন্তু মই এতিয়া সাৰ পাইছো···মোৰ নিদ্ৰা ভাঙিছে, ৰামু···মোৰ ··· !

ঃ দেউতা—দেউতা, আপুনি মনে মনে থাকক—অসুখ বেছি হ'ব, দেউতা!

ঃ অসুখ!—শৰীৰৰ অসুখ বেছি হ'লেও মনৰ অসুখ দূৰ হৈছে, ৰামু···মন মোৰ নিৰোগী হৈ উঠিছে। চাচোঁন, ৰামু!

গ'টেই জীৱনব্যাপী ভাবি আহিলো…এইটো মোৰ আপোন ঘৰ·· এইজনী মোৰ আপোন স্ত্ৰী…এইবোৰ মোৰ আপোন ভাই ককাই· এই পাল মোৰ নিজৰ ল'ৰা-ছোৱালী…এইবোৰ মোৰ নিজৰ মাটি-বাৰী…নিজৰ টকা পইচা, নিজৰ বাগান, নিজৰ গাড়ী নিজৰ দেশ আৰু যে কত কি 'নিজৰ' বুলি নেভাবিলো, ৰামু! কিন্তু যোৱা ৰাতি বুজিলো…এইবোৰ মোৰ একোৱেই নহয়। – এনেকি, মোৰ এই আপোন দেহটোও মোৰ 'আপোন' নহয়! কি ভীষণ সপোনত ডুব গৈ আছিলো, ৰামু…কি ভীষণ সপোন! — আকৌ চা, ৰামু—মই যোৱা কালিও ভাবিছিলো; মই বৰ গুণী …মই বৰ জ্ঞানী · মই বৰ মানী…মই বৰ দানী…মই বৰ টেঙৰ ·· মই বৰ ডাঙৰ· মই বৰ বিত্তশালী…মই বৰ শক্তিশালী— কিন্তু· ৰামু! মই আজি বুজিছো·· মই কি! মই বুজিছো, ৰামু—'মই'ৰ কোনো অস্তিত্বই নাই! 'মই' অৰ্থহীন—অস্তিত্ব হীন...সাগৰৰ ফেন, সাগৰতে মাৰ যায়…অৰ্থনাই, অস্তিত্ব নাই —চিহ্ন নাই, পৰিচয় নাই! ৰামু !—ৰামু চাচোঁন, মই কি ভীষণ সপোনত যোৱা কা'লি পৰ্য্যন্ত নিমগ্ন হৈ আছিলো! মোৰ এতিয়া সপোন ভাঙিছে, ৰামু!—ৰামু—মোৰ কাঁহ উঠিছে… ডিঙিটো সুৰ-সুৰাইছে…কাঁহ! কাঁহ! কাঁহ, ৰামু!—মুখেৰে তেজ আহিছে·· তেজ! তেজ! তেজ, ৰামু!…… ·

ঃ দেউতা, আপুনি মনে মনে থাকক!—মই তেজবোৰ মচি দিম দেউতা…মই মচি দিম…আপুনি মনে মনে থাকক!

ঃ মনে মনেই থাকিম, ৰামু—চিৰদিনৰ বাবেই মনে মনে

থাকিম! কিন্তু ইয়াৰ আগতে তোৰ প্ৰতি মোৰ এটি অনুৰোধ আছে, ৰামু! মই তোক চিৰ দিন 'আদেশ' দিয়েই আহিছো··· কিন্তু আজিৰ পৰা 'অনুৰোধ' কৰিম···অনুৰোধ, ৰামু! ৰামু, তই মোক আজিৰ পৰা 'দেউতা' নুবুলিবি···মোক মোৰ নিজৰ নামেৰেই মাতিবি ··যেনেকৈ, তোৰ নামেৰে মই তোক মাতো। মোৰ সপোন ভাঙিছে, ৰামু—তোৰ মোৰ কোনো প্ৰভেদ নাই··· পৃথিবীৰ এই প্ৰভেদবোৰ মূৰ্খ কিছুমানে গঢ়ি তুলিছে···জ্ঞানীৰ কোনো প্ৰভেদ নাই···সকলো এক···একে জুইৰ, একে ফিৰিঙতি। ৰামু, মোৰ আকৌ কাঁহ উঠিছে···ডিঙিটো সুৰ্‌সুৰাইছে ·· কাঁহ! কাঁহ ৰামু, কাঁহ!·········

(পঁচিশ)

: ৰামু, পশ্চিমাকাশত সূৰ্য্যটি মাৰ গ'লনে?

: অলপ বাকী আছে, দেউতা!

: আকৌ 'দেউতা!'—পুনৰ 'দেউতা!' ৰামু!—ৰামু তই বৰ চতুৰ—বৰ চতুৰ, ৰামু!—আনক 'দেউতা' সম্বোধন কৰি নিজৰ মহত্ব লুকুৱাই ৰাখিছ···আনে নজনাকৈ নিজৰ উচ্চ ভাব প্ৰকাশ কৰিছ··· এৰা, উচ্চত্ব আৰু মহত্ব প্ৰকাশৰ কি যে সহজ আৰু সৰল পথ এটি তই বাচি লৈছ! মাথোঁ,

মোৰ দৰে মূৰ্খবোৰেহে এই পথ চিনি নেপাওঁ···ভুল পথে গৈ ভুল বঢ়াই লওঁ···নিজক 'প্ৰভূ' বোলাই নিজৰে মূৰ্খামি প্ৰকাশ কৰো · আৰু এই মূৰ্খামিকে ভাবো—আমাৰ মহত্ব, দেৱত্ব, মানৱত্ব! কি যে মূৰ্খামি! কি যে মূৰ্খ আমি—আজিৰ দিনৰ শিক্ষিতবোৰ, জ্ঞানীবোৰ, গুণীবোৰ! ইমান দিন যিটোকে গুণ, জ্ঞান, শিক্ষা, দীক্ষা বুলি ভাবি আহিছিলো···আজি জীৱনৰ শেষ সন্ধিয়া বুজিব পাৰিছো যে,·· সেই সকলোবোৰেই ভুল···সেইবোৰ অৰ্থহীন, মূল্যহীন!······জীৱনৰ শেষ পৰ্য্যন্ত একোকে বুজিব নোৱাৰিলো! মাথোঁ, ইয়াকে বুজিলো, "জীৱনত একো নুবুজিলো"—জীৱনত একো নুবুজিলো—"মাথোঁ ইয়াকে বুজিলো!" কি নিদাৰুণ সত্য!—ৰামু! ৰামু, তই এটি কাম কৰিব পাৰ?

ঃ কওঁক, দেউতা!

ঃ ৰামু, তই কেশৱক এবাৰ ইয়ালৈ মাতি আন···কেশৱক এবাৰ ইয়ালৈ মাতি আন···কেশৱক এবাৰ······!

ঃ দেউতা, আপুনি উত্তেজিত নহব···মই এতিয়াই কেশৱ বোপাক মাতি আনি দিম···আপুনি বিছনাৰ পৰা নুঠিব···বিছনাৰ পৰা নুঠিব, দেউতা!···মই এতিয়াই মাতি আনি দিছো···!

ঃ উত্তেজিত নহওঁ,—আৰু বিছনাৰ পৰাও নুঠো···এয়ে মোৰ শেষ শয়ন হওঁক···কিন্তু ইয়াৰ আগতে, পাৰোমানে ভুলবোৰ ভাঙি যাওঁ······।

ঃ দেউতা, কেশৱ বোপা আহিছে।

ঃ কেশৱ আহিছে !—আহা কেশৱ, আহা !—মোৰ বিছনাৰ ওপৰতে বহা।—বহা সোণ !

ঃ মই কিবা জগৰ লগালো নেকি. দাদা ?

ঃ জগৰ !—জগৰ, তুমি আকৌ কিয় লগাবা, কেশৱ !—

—জগৰ যদি কোনোবাই লগাইছে তেন্তে ; সেইজন মই ! মইহে জগৰ লগাইছো, কেশৱ ! —মই বৰ স্বাৰ্থপৰ—বৰ স্বাৰ্থপৰ কেশৱ ! এই সঙ্কীৰ্ণ স্বাৰ্থৰ বশৱৰ্ত্তী হৈয়ে, তোমাৰ সৈতে মই কোনো দিন প্ৰাণ খুলি কথা হ'ব পৰা নাছিলো। আজি কিন্তু কেশৱ—মোৰ সেই স্বাৰ্থৰ প্ৰাচীৰ—যি প্ৰাচীৰে ইমান দিন দুয়োকো লগ হ'ব নিদিছিলে···আজি মোৰ বিবেকৰ এটি খুন্দাতে সি চূৰ্‌মাৰ হৈ গৈছে···মই এতিয়া তোমাক—মোৰ জীৱনৰ অতি ওচৰতে দেখিছো···তোমাৰ মোৰ কোনো পাৰ্থক্য নাই—দুয়ো পুৰুষ—সেই বিৰাট পুৰুষৰে একোটি ক্ষুদ্ৰাংশ ! শুনা, কেশৱ ! আজিৰ বাদে কালি—নতুবা, পৰহি মোৰ মৃত্যু সুনিশ্চিত। মোৰ এই মৃত্যুৰ আগতে মই তোমাক এটি অনুৰোধ কৰি যাব খোজো। যদি মোৰ এই অনুৰোধ, মই জীয়াই থকা কালছোৱাত তুমি ৰক্ষা কৰিবলৈ অনিচ্ছুক হোৱা···তেন্তে অন্ততঃ মোৰ মৃত্যুৰ পিচত যাতে তুমি ৰক্ষা কৰা। কোৱা, ৰাখিবা মোৰ অনুৰোধ ?

ঃ 'অনুৰোধ' নহয়, দাদা—কওঁক আপোনাৰ 'আদেশ'।

ঃ আদেশ নহয় কেশৱ, অনুৰোধ !—মানুহে মানুহক আদেশ দিব নোৱাৰে···আদেশ দিওঁতা মাথোঁন সিজনেই—যাৰ আদেশত

সৃষ্টি, স্থিতি আৰু লয়ৰ খেলা চলিছে। শুনা, কেশৱ! বয়সত তুমি মোৰ পুত্ৰ-তুল্য। কিন্তু তোমাক মই, 'মোৰ ভ্ৰাতৃ' ভাৱেই গ্ৰহণ কৰিছো। যিহেতু; তুমি মোক 'দাদা' বুলি সম্বোধন কৰিছা। আজিৰ পৰা তুমি মোৰ ভ্ৰাতৃ—আপোন ভ্ৰাতৃ কেশৱ!

: দাদা!—দাদা, মোৰ পৰম সৌভাগ্য আপোনাক মই দাদা স্বৰূপে পাইছো!

: মোৰো পৰম সৌভাগ্য, কেশৱ! মোৰ এই বিদায় বেলাত তোমাক ভ্ৰাতৃ-স্বৰূপে পাইছো। শুনা, ভাই! মই যদি বিদায় লওঁ; মোৰ ঘৰৰ সমস্ত দায়িত্ব তোমাৰ ওপৰত থাকিল···তুমি সোণক চাবা, তাক মানুহ কৰিবা···দীপাক উপযুক্ত লৰাৰ হাতত গতাবা...তাই যাতে মাকৰ দৰে উচুপি উচুপি জীবনটো নকটায় ···তাইৰ জীৱনটো যাতে সুখী হৈ উঠে! আৰু—আৰু শুনা, কেশৱ! ৰত্নাকো তোমাৰ হাততেই গতালো· ·তাইক কষ্ট নিদিবা ···তাইৰ জীৱনটো কষ্টৰ জুইত জ্বলোতে পুৰোতে ভেনেই কাঠ হৈ গৈছে···তুমি আৰু তাইক নজ্বলাবা...তাইক তুমি মৰম কৰিবা, তাইক তুমি স্নেহ কৰিবা···তাই মোৰ অতি মৰমৰ—অতি চেনেহৰ—অতি আদৰৰ ভাৰ্য্যা কেশৱ—অতি আদৰৰ! এই সমস্তকে, তোমাক গতালো। তুমি ইহঁতক চাবা, কেশৱ...তুমি ইহঁতক চাবা!···আ-হ! আ-হ! আ-হ! মোক অলপ পানী দিয়া, অলপ পানী দিয়া···ডিঙিটো শুকাই গৈছে...একেবাৰে শুকাই গৈছে···!

— —

(ছাব্বিশ)

: ৰন্তা ! তুমি পুনৰ মোৰ ওচৰলৈ কিয় আহিলা, কোৱা ? তোমাৰ নিজৰ বেদনাক আওঁকাণ কৰি—মোৰ সামান্য অসুখৰ বাবেই, তুমি বিছনাৰ পৰা উঠি অহাটো জানো উচিত হৈছে ? তুমি ভাবিছা বোধকৰো; তুমি মোৰ ওচৰত সকলো সময়তে নেথা-কিলে মই বেয়া পাম ? সেইবোৰ ভুল চিন্তা, ৰন্তা ! তোমাক মই মনে প্ৰাণে ভাল পাওঁ। তুমি মোৰ দেহৰ ওচৰত থাকা বা নাথাকা কিন্তু, প্ৰাণৰ ওচৰত সকলো সময়তে আছা...আমি দুয়ো একাত্মা···মই জুই, তুমি দাহিকা শক্তি। ৰন্তা, ইমান দিনে সঙ্কীৰ্ণ স্বাৰ্থৰ বশৱৰ্ত্তী হৈ মই তোমাক বহু কষ্ট দিছো। কিন্তু আৰু নিদিওঁ—আৰু নিদিওঁ, ৰন্তা ! মই এতিয়া বুজিছো—স্বাৰ্থই মানুহৰ দুখ-শোক ওপজায়, মন সঙ্কীৰ্ণ কৰি পেলায়, মানুহক পশু কৰি তুলে। মানুহৰ সমস্ত দুখ-দুৰ্গতিৰ কাৰণ, এই একমাত্ৰ স্বাৰ্থ ! যেয়ে, এই স্বাৰ্থ বিসৰ্জ্জন দিব পাৰিছে, সিয়েই পৃথিবীৰ প্ৰকৃত সুখ সম্ভোগ উপভোগ কৰিছে···ঈশ্বৰে তাক 'মোৰ' বুলিছে। ৰন্তা, নিৰ্ম্মল পানীত সূৰ্য্যৰ প্ৰতিবিম্ব দেখা যায় নহয় নে ? ঠিক তেনেকৈ নিৰ্ম্মল মনতো—যি মনত স্বাৰ্থৰ মলিনতা নাই—সেই মনৰ হৃদি-স্থলত পৰমাত্মাক দেখা যায়····· মানুহৰ জীৱনত যদি কিবা ডাঙৰ কাম কৰিব লগীয়া আছে

তন্তে; এই স্বাৰ্থত্যাগেই আটাইতকৈ ডাঙৰ কাম...এই কাম যেয়ে কৰিব পাৰিছে; সিয়েই তৎমুহূৰ্ত্তে মহীয়ান হৈ উঠিছে! ৰম্ভা মই তোমাক কেশৱৰ হাতত গতাইছো। মোৰ মৃত্যুৰ পিচত, সি তোমাৰ সুখ শান্তিৰ বাবে যথাসাধ্য চেষ্টা কৰিব...তোমাৰ জীৱনটো যাতে সুখী হৈ উঠে, তাৰ বাবে সি চেষ্টাৰ ক্ৰুটি নকৰিব ·মই তাক সকলো কথা বুজাই কৈছো। আৰু ৰম্ভা, সমাজে যদি তোমাক স্থান নিদিয়ে; তাৰ বাবে তুমি নেভাবিবা। মই তোমাৰ স্বামী—মই তোমাক স্থান দিছো...সেয়ে, তোমাৰ পৰম সৌভাগ্য...সেয়ে, তোমাৰ পৰম সান্তনা।—মূৰ্খ আৰু স্বাৰ্থপৰ সমাজে কি কয়, তালৈ তুমি ভ্ৰূক্ষেপ নকৰিবা।

শুনা, ৰম্ভা! আজিৰ সমাজ মূৰব্বী সকলে আজিৰ সমাজত যিটো ব্যৱস্থা প্ৰচলিত ৰাখিছে, কালিৰ সমাজ মূৰব্বী সকলে হয়তো ইয়াৰ বিপৰীত ব্যৱস্থাটোকেই কালিৰ সমাজত প্ৰচলিত কৰিব·· পৰহিৰ সমাজ মূৰব্বীয়ে আকৌ সেই ব্যৱস্থাটিকো সলনি কৰি অন্য এটি ব্যৱস্থা গ্ৰহণ কৰিব। এনেকৈয়ে, যুগে যুগে, কালে-কালে 'সমাজ' আৰু তাৰ 'ব্যৱস্থা'বোৰ সলনি হৈ গৈয়ে থাকিব। গতিকে, আজিৰ সমাজে তোমাক গ্ৰহণ নকৰিলেও, কালিৰ সমাজে নিশ্চয় গ্ৰহণ কৰিব·· যদি কালিৰ সমাজেও তোমাক গ্ৰহণ নকৰে তেন্তে; পৰহিৰ সমাজেও গ্ৰহণ নকৰিবনে? দ্ৰুপদ নন্দিনীৰ পাঁচজনকৈ স্বামী! কিন্তু দ্ৰোপদীয়ে বিচাৰিছিল মাথোঁ, এজনহে। কোনেও নজনাকৈ অকস্মাতে এদিন তেওঁৰ জীৱনলৈ বৈ আহিল, পাঁচজন! এতিয়া দ্ৰোপদীয়ে কৰে কি?

দ্ৰোপদীয়ে বাস কৰা সমাজ ব্যৱস্থায়েই বা এতিয়া কি 'ৰায়' দিব ? ৰস্তা ! তুমি কান্দিছা ? – নেকান্দিবা সোণ !…এই বিশাল বিশ্বব্ৰহ্মাণ্ডখনতো মানুহৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰি নচলে! যাৰ ইচ্ছাত, যাৰ আদেশত এই বিশ্ব চৰাচৰ চলিছে, তেওঁৰেই ইচ্ছাত আৰু আদেশত তোমাৰ জীৱনলৈও কেশৱ বৈ আহিছে। কেশৱক তুমি মাতি অনা নাই, ময়ো মাতি অনা নাই! এনেকি, সিও স্বইচ্ছাৰে তোমাৰ জীৱনলৈ বৈ অহা নাই।…এই সমস্ত-বোৰেই বিশ্ব-বিধায়কৰ বিধান! তুমি হয়তো ভাবিছা, তুমি এটি ডাঙৰ ভুল কৰি পেলাইছা…কিন্তু ৰস্তা!—কিজানি এইটো সৃষ্টি কৰ্ত্তাৰেই ভুল· তেওঁৰ বিচাৰতো তো ভুল হ'ব পাৰে? তেওঁ হয়তো ভুলতে ইমানদিনে তোমাক, মোৰ ওচৰত ৰাখিলে…এতিয়া তেওঁৰ সেই ভুল ধৰা পৰাত, তুমি যাৰ বস্তু তাকেই তেওঁ শোধাই দিব ওলাইছে! নতুবা, এনেকুৱাওতো হ'ব পাৰে—ধৰা, সিজন্মত তুমি কিবা পাপ কৰিছিলা; সেই পাপৰ প্ৰায়শ্চিত্ত স্বৰূপে ইমান দিন তোমাক, তোমাৰ অনিচ্ছা-সত্বেও মোৰ ওচৰত ৰাখি, কষ্ট দিলে…এতিয়া তোমাৰ সেই পাপ কটা যোৱাত· পুনৰ তুমি তোমাৰ নিজৰ বস্তু ফিৰাই পাইছা! ঈশ্বৰৰ বিচাৰত বাধা দিবৰ শক্তি জীৱ জগতৰ নাই। তেওঁৰ বিচাৰধাৰাক অগ্ৰাহ্য কৰাটোও মূৰ্খামিৰ পৰিচায়ক। গতিকে, তেওঁ যেনেকৈ আমাক চলাইছে—তেনেকৈয়ে আমি চলা উচিত। তুমি চোৱা, যি জনে তেওঁৰ বিচাৰ ধাৰা মানি লবলৈ অক্ষম হৈছে, সিজনৰ জীৱনলৈয়েই দুখ-শোকৰ মহানদী বৈ

আহিছে। আজি যদি মহা-বিচাৰকৰ এই মহা-বিচাৰ তুমি আৰু মই মনে প্ৰাণে মানি নলওঁ তেন্তে; আমাৰ জীৱনলৈও দুখ শোকৰ মহানদী নিশ্চয় বৈ আহিব! ৰত্না, তুমি এতিয়া উঠা… তুমি কেঁকাই-গোঁথাই ইয়াত বহি থাকিব নেলাগে…তুমি উঠা সোণ!……

(সাতাইশ)

ঃ ৰামু, ৰাতি পুৱাবলৈ আৰু কিমান বাকী?

ঃ আৰু বেছি সময় নাই, দেউতা!

ঃ বেছি সময় নাই! তেন্তে, মোৰো ৰাতি পুৱাবনে, ৰামু?

ঃ নিশ্চয় পুৱাব, দেউতা! আপুনি অধৈৰ্য্য নহ'ব - মই কেশৱ আৰু মা'ক মাতি আনোগৈ।

ঃ ৰামু!—ৰামু, তোৰ ওচৰত মোৰ সনিৰ্ব্বন্ধ অনুৰোধ—তই সিহঁতক মাতি নানিবি—মাতি নানিবি, ৰামু!

ঃ কিন্তু আপোনাৰ যে অসুখ বৰ বেছি হৈ আহিছে—মুখেৰে তেজ গৈছে?

: যাওঁক, যাওঁক ৰামু ! তথাপি সিহঁতক মাতি নানিবি। মই অলপ শান্তিৰে মুক্তি পাব খোজো, ৰামু—অলপ শান্তিৰে!

: তেন্তে আপুনি মনে মনে থাকক, দেউতা—কথা নক'ব—কথা ক'লেই অসুখ বেছি হয়!

: ইয়াতকৈ আৰু কিনো বেছি হ'ব, ৰামু! আৰু কথাই বা আৰু কিমান সময় কম—শেষ সময়ত দুটি কথা কৈছো—তোৰ দৰে মহান বন্ধু পায়···তয়েই মোৰ জীৱনৰ প্ৰকৃত বন্ধু, ৰামু! ৰামু, ৰম্ভাৰ প্ৰসৱ বেদনা বেছি হৈছে নহয়?—হওঁক,—তাই মুক্তি পাওঁক—নৱশিশু পৃথিৱীলৈ আহক—সেই নতুন আলহীলৈ মই মাথোঁ অপেক্ষা কৰি আছো···তাৰ ক্ৰন্দন শুনিলেই···ৰামু, কাঁহ উঠিছে, ৰামু! কাঁহ! কাঁহ, ৰামু!······

: দেউতা! দেউতা, মনে মনে থাকক—মনে মনে থাকক দেউতা!

: মনে মনেই থাকিম, ৰামু! মাথোঁ আৰু কেইমুহূৰ্ত্তমান কথা পাতিব দে—মাথোঁ আৰু কেইটামান মুহূৰ্ত্ত, ৰামু! ৰামু, ভূমিষ্ঠ হৈয়েই নৱ-শিশুৱে কান্দে কিয়, জানা?—সেই নৱ-শিশুৱে জানে, ৰামু—এই পৃথিৱী 'বৰ দুখৰ ঠাই' বুলি—যি পৃথিৱীলৈ সি আলহীস্বৰূপে আহিছে।' সেয়ে, সি কান্দে! কিন্তু আজি যদি মই এই দুঃখে-ভৰা পৃথিৱীখনৰ পৰা 'মুক্তি পাওঁ—এইটো মোৰ পক্ষে যে কি আনন্দদায়ক কথা নহ'ব, ৰামু! জীৱৰ এই মহামুক্তিৰ সময়ত যি জীৱই দুখ কৰে—সেই জীৱ ভীষণ স্বাৰ্থপৰ···স্বাৰ্থৰ বাবেই সি পৃথিৱী এৰিব

নোখোজে···সেয়ে, তাৰ মুক্তিৰ সলনি মৃত্যুহে ঘটে। কিন্তু যি জীৱ নিঃস্বাৰ্থী···স্বাৰ্থই যাক চুব নোৱাৰে···সেই জীৱৰ মৃত্যু নাই—তাৰ আছে, মুক্তি—মহামুক্তি, ৰামু! আজি যদি মই আঁতৰি যাওঁ—ই কোনো দুখৰ কথা নহব···পৃথিবীয়েও মোৰ বাবে দুখ নকৰে ...সূৰ্য্যই তাৰ নিৰ্দ্ধাৰিত সময়ত নিৰ্দ্ধাৰিত পথেৰে উদয় হ'বই··· পৃথিবীয়ে তাৰ আপোন কক্ষপথত নিৰ্ব্বিকাৰভাৱে ঘূৰিবই .. বিশ্বপ্ৰবাহৰ চিৰন্তন গতিত মোৰ মৃত্যুৰ বাবে অকণো বাধা নপৰে!—ৰামু, সূৰ্য্য উদয়লৈ আৰু কিমান বাকী?

ঃ আৰু কেইমুহূৰ্ত্তমান, দেউতা!

ঃ আৰু কেইমুহূৰ্ত্তমান!—তেন্তেময়ো আৰু কেইটামান মুহূৰ্ত্তই ইয়াত আছো। ইয়াৰ পিচত, নতুন সূৰুযে পূবে দেখা দিব—ৰম্ভাৰ নৱ-শিশুৱে পৃথিবীত আহি পদাৰ্পন কৰিব... মই—মই পুৰণিয়ে পুৰণি ৰাতিটোৰ সৈতে চিৰ বিদায় মাগিম··· চিৰ বিদায়, ৰামু! ৰামু, মোৰ ডিঙিটো বৰকৈ সুৰ-সুৰাইছে...

ঃ আপুনি মনে মনে থাকক, দেউতা!···

ঃ...মোৰ ডিঙিটো বৰকৈ সুৰ-সুৰাইছে, ৰামু!···মুখেৰে তেজ আহিছে, ৰামু!···

ঃ··· মই আপোনাৰ চৰণ-দুই প্ৰাৰ্থনা জনাইছো···আপুনি মনে মনে থাকক, দেউতা!······

ঃ···ৰামু মোৰ কাঁহ উঠিছে···কাঁহ! কাঁহ! কাঁহ, ৰামু!

ঃ দেউতা! দেউতা!···

ঃ···ৰামু!—তই মোক ক্ষমা কৰিবি, ৰামু!—পৃথিবীয়ে যাতে

মোক ক্ষমা কৰে, ৰামু! ৰা–মু, আঁ-হ!......

* * * *

উদয়েৰ পথে শুনি কাৰ বাণী;

ভয় নাই, ওৰে ভয় নাই!

নিঃশেষে প্ৰাণ যে কৰে দান;

ক্ষয় নাই, তাৰ ক্ষয় নাই!!

সমাপ্ত

THE NABIN BARDOLAI HALL & LIBRARY
2[illegible] JUN 1960
GAUHATI